চান্দমামা

নভেমবাৰ ১৯৯৫



CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:
DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

DECEMBER 9, 1995
JANUARY 20, 1996

PolioPlus

PULSE POLIO IMMUNIZATION

9th Dec. 1995 & 20th Jan. 1996

DID YOU KNOW THAT...

- Polio not only cripples a child for life but can also cause death
- It is possible to eradicate polio
- 146 countries are now polio free
- 2/3 of the world's polio cases still come from India
- Last year, in India, 4,000 children reportedly fell a victim to polio. This number is only a fraction of the actual number of polio cases occurring in India which do not get reported.
- The only way to eradicate polio is to eliminate the disease-causing poliovirus, and the only way to do this is to give polio drops to every child in the country in the age of 0-3 years on a single day and repeat it after 4-6 weeks.
- India will save more than Rs. 50 crore every year if polio is eradicated
- Your parents probably remember smallpox. You don't. You will remember polio.
  Your children should not.

WHAT CAN YOU DO?

- Spread the message of Pulse Polio Immunization
- Make sure that all children in your family and neighbourhood in 0-3 years age group, irrespective of whether or not they have been given polio drops earlier, are brought to the nearest vaccination centre for polio doses on 9th December 1995 and 20th January 1996.


Say "Hello" to text books and friends
'Cause School days are here again
Have a great year and all the best
From Wobbit, Coon and the rest!


SUPER
RUBBER
It's time to go back to school again. Time for text books. Time for games. Time to meet old friends. And make new ones. Time to start studying again. Because there's so much to learn about the world around you.
From all of us here at Chandamama, have a great year in school. And remember to tell us what you've learnt everyday, when you come home from school !
THE
HANDAMAMA
OLLECTION
ARTIG1246

চান্দমামা

*

নভেম্বাৰ ১৯৮৫

গৌতম গোস্বামী
২২/১১/১৯৮৫

এই সংখ্যাত আছে

পৃথিৱীৰ খিৰিকীৰে	:	৯	মৰণ-বিজয়ী	:	৩৭
মৰমৰ আৰু ধৰম	:	১০	সঠিক পৰামৰ্শ	:	৪২
বিনাশ্ৰমৰ আৰ্জন	:	১৬	মহাভাৰত	:	৪৫
ৰূপধৰৰ যাত্ৰা	:	১৭	ভাগ্যৰ খেলা	:	৫২
চান্দমামা-সম্বাদ	:	২৪	চান্দমামা-ক্ৰোড়পত্ৰ	:	৫৩
ক্ষণিক-ভুলৰ মূল্য	:	২৫	বিশ্বাস	:	৫৬
সন্দেহৰ পৰিণাম	:	৩২	তান্ত্ৰিকৰ দ্বীপত	:	৬১
ভাৰতৰ দুৰ্গ	:	৩৩	ফটো-প্ৰতিযোগিতা	:	৬৬

চান্দমামা : খনে : ৫·০০ টকা মাথোন
বছৰেকীয়া বৰঙনি : ৬০·০০ টকা মাথোন

চান্দমামা

সংস্থাপক : চ ক্র পা ণি   সঞ্চালক : বি নাগিৰেড্ডি

আদাত্য পাতক

শুনাত আচৰিত যেন লাগিলেও, এই কথা সঁচে-কাটে সঁচা যে—পৃথিৱীত ভাৰতেই হ'ল একমাথোন দেশ—যিখন দেশে সমাজ-জীৱনৰ তথা অন্যান্য জ্ঞান-বুদ্ধিৰ তথ্য আহৰণ, কৰে এক বৈদেশিক ভাষাৰ যোগেদি। কি স্কুল-কলেজ কি বিশেষ-বিশিষ্ট ক্ষেত্ৰত ভাৰত ভাষাগতভাবে হ'ল ইংৰাজি-নির্ভৰ দেশ।

আনকি দক্ষিণ কোৰিয়াহেন সৰু দেশখনেও—যিখন দেশৰ জনসংখ্যা ৪'৫ মিলিয়ন মাথোন, তেওঁলোকৰ সর্বদিশৰ বৌদ্ধিক বিকাশ কোৰীয় ভাষাৰেই কৰে, আনকি জটিল বিজ্ঞানমূলক জ্ঞান অহৰণৰ ক্ষেত্ৰতো।

মাতৃ-ভাষায়েই জ্ঞান-বিজ্ঞানৰ তথা বিভিন্ন কর্ম-প্রবাহৰ একমাত্র বাহন হ'বনে নহয়, সেই কথাত আমাৰ দেশ ভাৰতত বিতর্ক অন্তহীন। যদিও স্কুলীয়া শিক্ষাত মাতৃ-ভাষাৰ প্রয়োগ বহুদুৰলৈকে কৰা হৈছে, কলেজত কিন্তু চিত্ৰ বেলেগ; কলেজত এতিয়াও ইংৰাজিৰ প্রাধান্য। আগৰ দিনত, ভাৰতত জ্ঞান-বিজ্ঞান আহৰণৰ মাধ্যম আছিল সংস্কৃত, আৰু সেই দেখিহে চতুৰ ইংৰাজেও থলুৱা ভাষাক আওকাণ কৰি ইংৰাজিৰ প্রচলন কৰিছিল, যাৰ ফলত, তেওঁলোকৰ বাবে আমোলা-কর্মচাৰীৰ সৃষ্টি হৈছিল, কিন্তু জন-সাধাৰণৰ মাজত আছিল অশিক্ষাৰ ব্যাপক অন্ধকাৰ।

সিদিনাৰ সেই অৱস্থা—আজিৰ দিনতো আমি চলি থাকিবলৈ দিমনে? চহকী মাতৃভাষাক যথাযোগ্যভাবে ব্যৱহাৰ নকৰি সকলো-টিয়েই অদাত্যপাতক ৰত হৈবেকনে?

আহক, ইংৰাজি গুচাই মাতৃভাষাৰ আভিজাত্য বঢ়াওঁ।

বছৰ : ২০   নভেমবাৰ ১৯৯৫   সংখ্যা : ৮

খনে ৫'০০ টকা :: বছৰেকীয়া বৰঙনি ৬০'০০ টকা

"मेरि"
दुनिया भर की नारियों को, ३१ से अधिक सालों से मनमोहक, खूबसूरत और मजबूत स्वर्णपट्टित ज़ेवरों से सँवार रहे हैं ।

मेरि अब पेश करते हैं चकाचौंध करने वाले रंगबिरंगे और उत्तम डिज़ाइन के ज़ेवर, जो शुद्ध चाँदी पर सोने का पानी चढ़ा कर और अमरीकी हीरो (A.D) से जड़ा कर बनाये गये हैं ।

ज़ेवर वी.पी.पी. द्वारा मँगाये जा सकते हैं । हमें ज़ेवर की संख्या का उल्लेख देते हुये लिखिये । मंदिर की मूर्तियो और भरत नाट्यम के लिए ज़ेवर बनाना हमारी विशेषता है। मुफ्त रंगीन सूचापत्र के लिये लिखिये । कृपया पत्रव्यवहार हिन्दी या अगरेज़ी में ही करिये ।



MERI GOLD COVERING WORKS
P.O. Box 1405, 18, Ranganathan Street, T. Nagar,
Madras 600 017, Phone: 444671, 442513

পৃথিৱীৰ খিৰিকীৰে

সোতৰৰ সাতোলা

দৃশ্যটো কল্পনা কৰক : স্থান : শ্বিকাগো, কাল : জুনৰ ৩০, আৰু পাত্ৰ হ'ল : অন্যান্য সমৱেত সমজুৱাৰ সৈতে আমেৰিকাৰ প্ৰেজিডেণ্ট ক্লিনটন মহোদয়। আমেৰিকাত ভাৰতীয় ডাক্তৰসকলৰ এক বিশেষ সন্মিলনত ৰাষ্ট্ৰপতি বিল ক্লিনটনে তেওঁৰ ভাষণত উচ্চাৰণ কৰিলে এটি বিশেষ নাম : ডাক্তৰ আম্বাটি। এই আম্বাটি হ'ল ১৭ বছৰীয়া এটি চেমনীয়া, মিঃ ক্লিনটনে আম্বাটিৰ নামটো কোৱাৰ লগে লগে আম্বাটি উঠি থিয় হ'ল—যাতে সকলোৱে তেওঁক ভাল কৈ দেখা পায়। ৰাষ্ট্ৰপতি ক্লিনটনে ১৭ বছৰীয়া ডাক্তৰ আম্বাটিলৈ হাত দাঙি অভিনন্দন জনোৱাৰ লগে লগে সমগ্ৰ সন্মিলন-স্থল কৰতালিৰে মুখৰিত হৈ উঠিল। ৰাষ্ট্ৰপতি ক্লিনটনে ক'লে : মই গৰ্বেৰে কওঁ, ডাক্তৰ আম্বাটিক যেতিয়া মোৰ সৈতে চিনাকি কৰোৱা হৈছিল, তেতিয়া মই বিশ্বৰ সৰ্বকনিষ্ঠ চিকিৎসক এগৰাকীৰ সৈতে কৰমৰ্দনৰ সন্মান লভিছিলোঁ। আৰু—" হাত-চাপৰি উঠাত তেওঁ অলপমান ৰৈ পুনৰ ক'লে, "মোক আৰু কোৱা হৈছিল যে—আম্বাটিৰ ককায়েকও এগৰাকী ডক্টৰ, অৱশ্যে—তেওঁৰ যথেষ্ট পৰিপক্ক বয়স হৈছিল—তেওঁৰ বয়স হৈছিল—উনৈছ!" সভাত হাঁহিৰ জোৱাৰ উঠিল।

১৭ বছৰীয়া ডক্টৰ আম্বাটিৰ পূৰা নাম হ'ল—বালমুৰলীকৃষ্ণ আম্বাটি। চাৰি বছৰীয়াতে এওঁ অংকৰ সাঁথৰৰ সমস্যাৰ সমাধান কৰিব পাৰিছিল, ছ-বছৰীয়াতে ফাৰ্ষ্ট গ্ৰেড পাৰ হৈ কেইসপ্তাহমানৰ মাজতেই পৰৱৰ্তী গ্ৰেড পাইছিল। পৰৱৰ্তী তিনি বছৰত এওঁ আৰু পাঁচটি প্ৰমোচন পাইছিল, ১৯৯১ চনত যেতিয়া এওঁ ১৩ বছৰীয়া, তেতিয়া বায়'লজিত বি. এ. কৰিছিল নিউইয়ৰ্ক বিশ্ববিদ্যালয়ত—যি হ'ল এটি ৰেকৰ্ড। তাৰ পাছত চাৰি বছৰ কাল চিকিৎসাবিদ্যা অধ্যয়ন কৰি চিনাই মেডিক্যাল স্কুলৰপৰা ডাক্টৰী ডিগ্ৰি লৈছিল।

এওঁৰ পিতৃ মোহনৰাও (ইণ্ডাষ্ট্ৰিয়্যাল এনজিনিয়াৰিঙত ডক্টৰেট), মাতৃ গোমতী (ডক্টৰ অব এডুকেশ্যন), আৰু ককায়েক জয়কৃষ্ণ (চক্ষু-বিশেষজ্ঞ ডাক্তৰ)। ইয়াৰ আগতে নিচেই কম বয়সত ডাক্তৰ হোৱাৰ উদাহৰণ আছিল ইতালিৰ পেৰুজিয়া বিশ্ববিদ্যালয়ৰপৰা ডাক্টৰী ডিগ্ৰি লোৱা এজন ইস্ৰায়েলীৰ ৰেকৰ্ড।

বালমুৰলী আৰু জয়কৃষ্ণই 'এইডছ'ৰ ওপৰত এখন কিতাপ লিখিছিল—প্ৰায় ছবছৰৰ আগতে। কিতাপখন আমেৰিকাত, আৰু আমেৰিকাৰ বাহিৰতো যথেষ্ট আদৃত হৈছে, আৰু এই কিতাপখনৰ দ্বিতীয় তাঙৰণ শীঘ্ৰেই ওলাব।

ৰাষ্ট্ৰপতি বিল ক্লিনটনে তেওঁৰ ভাষণৰ উপসংহাৰত মন্তব্য কৰিছিল : "কেৱল আম্বাটি-পৰিয়াল, বা কেৱল আম্বাটিৰ বন্ধু-বান্ধৱসকলেই নহয়, আমিও আম্বাটিৰ আনন্দৰ অংশী।"

উল্লেখযোগ্য যে—ৰাষ্ট্ৰপতি ক্লিনটন তেওঁৰ ২৬ বছৰ বয়সত কলেজৰ অধ্যাপক হৈছিল, ৩১ বছৰত গাভাৰ্নৰ, আৰু ৪৬ বছৰ বয়সত আমেৰিকাৰ সৰ্বকনিষ্ঠ ৰাষ্ট্ৰপতিও তেঁৱেই!

মৰম আৰু ধৰম

বহু বহু কালৰ আগৰ কথা। তেতিয়াৰ কালত ৰাক্ষসৰাজ্য আছিল, আৰু সেই ৰাক্ষসৰাজ্যত ধৰমধন নামৰ এক বেলেগ মন-মতিৰ ৰাক্ষস আছিল। ধৰমধন অন্যান্য ৰাক্ষসৰ দৰে নাছিল, তাৰ নামটোৰ দৰেই আছিল ধৰ্মভাৱাপন্ন ৰাক্ষস। ধৰমে অন্যান্য ৰাক্ষসৰ আচাৰ-আচৰণ মুঠেই ভাল নাপাইছিল। অন্যান্য ৰাক্ষসে যে নিৰীহ-নিমাখিত জন্তু আৰু মানুহবিলাকো ধৰি-মাৰি খাইছিল, সেই কথাত ধৰমধন আছিল ৰাক্ষসহঁতৰ প্ৰতি বিৰূপ।

আৰু ধৰমধনৰ মাক-বাপেকে পুতেকৰ হেন মনোভাবৰ উমান লৈ — এদিন ৰাক্ষসৰ বিখ্যাত বেজক মতাই অনাই পুতেকক পৰীক্ষা কৰি তাৰ বেমাৰৰ বা-বিবৰণ দিবলৈ ক'লে। ৰাক্ষস-বেজে ধৰমধনক ভালদৰে ভালকৈ পৰীক্ষা-নিৰীক্ষা কৰাৰ অন্তত ক'লে, "এওঁৰ শৰীৰত বেমাৰ-চেমাৰ বোলা একো নেদেখিছোঁ। যিমানদূৰ বুজিছোঁ, এওঁৰ বেমাৰ মনৰ বেমাৰ। এওঁ মানুহৰ ৰাজ্যলৈ গৈ মানুহৰ মাজত মানুহৰ ৰূপ ধৰি থাককগৈ। কিন্তু —কমেও এটাকৈ মানুহ মাহেকে-পষেকে ধৰি খাব লাগিব। এইদৰে মানুহৰ মাজত থাকি থাকি যিদিনা পুনৰ ৰাক্ষসৰাজ্যলৈ উভতিবৰ মন হ'ব—সেই দিনাই এওঁৰ বেমাৰ ভাল হৈ যাব।"

ৰাক্ষস-বেজৰ কথা মানি ধৰমধন মানুহৰ ৰাজ্যলৈ আহিল আৰু মানুহৰ ৰূপ ধৰি মানুহৰ লগত মিলিজুলি থাকিবলৈ ল'লে।

ধৰমধনে এই কথাটোলৈ মন কৰিলে

কিশোৰ তালুকদাৰ

যে—মানুহৰ শক্তি-সামৰ্থ্য অতি সীমিত, কিন্তু তথাপি যে মানুহ জগতৰ অন্যান্য প্ৰাণীতকৈ—আনকি শক্তিমান ৰাক্ষসহঁত-তকৈও ভালকৈ জীৱন যাপিব পাৰিছে—তাৰ একমাত্ৰ হেতু হ'ল মানুহৰ ডাল যোৰা দিয়া বুদ্ধি। এই বুদ্ধিৰ বলতেহে মানুহে নগৰক সাগৰ সাগৰক নগৰ কৰিব পাৰে আৰু অন্যান্য প্ৰাণীৰ তথা মানুহৰ তুলনাত বহুগুণে সমৰ্থৱান ৰাক্ষসহঁতৰ আগতো দপদপাই ফুৰিব পাৰে।

এইদৰে ভালেমান দিন পাৰ হ'ল। এদিন ধৰমধনে যুৱতী এজনীক দেখা পাই থমকাখোৱা যেন হৈ ৰৈ দিলে। কিয় যে তাৰ বুকুৰ ভিতৰত মোচৰ দি উঠিল—সি ভাবি উলিয়াব নোৱাৰিলে। পাছত সি ভাবিলে : ইয়াকেই মানুহবিলাকে 'প্ৰেম' বুলি কয়নে?

যি কি নহওক—তাৰ পাছত পুনৰ এদিন সেইজনীকে দেখা পাই যেতিয়া তাৰ খোজ লেহেম হৈ গ'ল, তেতিয়া সি-ও গমিলে যে ইয়াকে 'প্ৰেম' বোলে।

এই যুৱতীজনীৰ নাম আছিল মৰমী। ধৰমধনে যদিও মানুহৰ ৰীতি-নীতি বহুত কিবাকিবিয়েই জানিছিল, তথাপি, প্ৰেমক যে গোপন ৰাখিব লাগে — সেই কথা নাজানিছিল, আৰু সেইহে মৰমীক পোনে

পোনেই কৈছিলগৈ, "শুনিছানে, মই তোমাক ভাল পাই পেলাইছোঁ, আৰু তোমাকে বিয়া কৰাবলৈ মন মেলিছোঁ।"

শুনি—মৰমী মদকৰা পৰা যেন হ'ল। তাৰ পাছত—কথমপি নিজক চম্ভালি লৈ তাই ক'লে, "মোৰ বিয়া—কাৰ লগত ক'ত কেনেকৈ কি হ'ব-নহ'ব—আমাৰ ডাঙৰক ক'লেহে হ'ব। আৰু আমাৰ এক চিনাকি ঘৰত মোৰ বিয়াৰ কথা-বাৰ্তা চলি আছে—অৱশ্যে সেই মানুহজনৰ পৰিবাৰ ঢুকাল বুলিহে মোক বিয়া কৰাব খুজিছে। —আমাৰ ঘৰটো এই মানুহজনৰ ওচৰত বন্ধকী হৈ থকাত—আমিও নিৰুপায়। এই



নোপোৱা কাৰোবাক ছোৱালী দিব নোৱাৰে বুলি তাক কৈ দিলে।

তাৰ পাছত অন্য এদিন মৰমীয়ে গোসাঁনীলৈ পূজা আগ কৰোঁতে যেতিয়া মন্দিৰলৈ গৈ আছিল, তেতিয়া ধৰমধনে তাইক বাটত লগ কৰি ক'লে যে তাইৰ মাক-দেউতাকক নজনোৱাকৈয়েই সি তাইক বিয়া কৰাব বুলি ভাবিছে।

মৰমীয়ে ক'লে, "মই এনেকুৱা কাম কৰিব নোৱাৰিম। মোৰ দুৰ্ভাগ্যক মই মানি লৈ তাতেই বিয়া সোমাম, আৰু যদি মোৰ ভাগ্য প্ৰসন্ন হয়—হয়তো সেই মানুহজনক কোনোবা ৰাক্ষস-তাক্ষসে খাই পেলাব—তেতিয়া মই ৰক্ষা পাম।"

আৰু সেই দিনাই ৰাতিৰ পৰতে ধৰমধনে সেই মানুহজনক ধৰি খাই পেলালে।

মানুহজনক খাই—ভালেই পাইছিল ধৰমধনে। কৰ্তব্যও কৰা হ'ল—মানুহ খোৱাৰ সোৱাদো লভা হ'ল।

ইতিমধ্যে আকৌ এমাহ পাৰ হওঁ হওঁ হ'ল, আৰু তেতিয়া—ৰাক্ষস-বেজৰ কথা মতেও, আৰু নিজৰ মনৰ ইচ্ছাৰেও—মানুহ এজনক ধৰি খোৱাৰ ইচ্ছা হ'ল তাৰ। কিন্তু সুবিধামতে পায় ক'ত?

পালে এদিন সুবিধা। নিমাখিত সাধু এজনক দেখা পাই ধৰমধনে ভাবিলে:

বিয়াত 'নহয়' বুলি ক'লে তেওঁ আমাক আমাৰ ঘৰৰপৰা উলিয়াই দিব।"

"ধন যিমান দিব লাগে—মই দিম সেই মানুহজনক, তথাপি মই তোমাক বিয়া কৰামেই।" ধৰমধনে থান খেৰেদি উজান মাৰিলে।

"তথাপি—ক'লোঁৱেই মই — মোৰ বিয়াৰ কথাৰ হয়-নহয় মই ক'ব নোৱাৰিম। আমাৰ ডাঙৰসকলেহে যি কৰে কৰিব।" এই বুলি কৈ মৰমী তাৰপৰা গুচি গ'ল।

ধৰমধন মৰমীৰ মাক-দেউতাকৰ কাষ চাপিল। কিন্তু তেওঁলোকে এই অজ্ঞাত-কুলশীল — সঠিক বংশ-গোত্ৰৰ সন্তেদ

এই সাধুৰ কাৰণে কান্দিবলগীয়া নিশ্চয় কোনো নাই, ইয়াকে খোৱা যাওক।

সাধুৱে ধৰমধনলৈ করুণাৰ দৃষ্টিৰে চাই কৈ উঠিল, "পুত্ৰ ধৰমধন, তুমি দেখোন সৎ মাৰ্গী, কিয়নো মোক মাৰি খাবা?"

সাধুৱে তাৰ নামটো যে কেনেকৈ জানিলে, কেনেকৈ জানিলে তাৰ মনৰ ইচ্ছাৰ কথা, ভাবি ধৰমধন — যাক বোলে — থক ছুটা যেন হ'ল।

সাধুৱে ধৰমধনক ক'লে, "শুনা, তুমি আচলতে ধৰমৰ বাটে যোৱা ৰাক্ষস, সৎ ৰাক্ষস। সৎ মানুহ আৰু সৎ ৰাক্ষসত কোনো পাৰ্থক্য নাই। তুমি এটা কাম কৰা—।" ক্ষন্তেকমান ৰৈ সাধুবাবাই পুনৰ ধৰমধনক ক'লে, "এই ঠাইত বক্ৰবুদ্ধি নামৰ কৌটিপতি মানুহ এজন আছে। এই বক্ৰবুদ্ধি নামতো বক্ৰ, কামতো বক্ৰ। তুমি তাক পোনাব পাৰিলে বহুতৰে উপকাৰ হ'ব। ইয়াৰ মানুহে তাৰ একো কৰিব পৰাও নাই, নোৱাৰেও। বক্ৰবুদ্ধিয়ে সদায় সকলোকে ঠগ-প্ৰবঞ্চনা কৰি আছে। তুমি যদি তাক দাঁতভঙা শিক্ষা দিব পাৰা; তেতিয়া তোমাক ইয়াৰ ৰাইজে ধইন্ ধইন্ কৰিব, আৰু তুমি তেতিয়া মৰমীকো পাবা। —এটা কাম কৰা, তুমি এখন দোকান পাতা, দোকানলৈ গাঁৱৰ



ৰাইজ আহিব, আৰু তুমি সকলোটিৰ সৈতে চিনাকি হ'ব পাৰিবা। পিছে— বস্তু সস্তা দামত দিবা।"

ধৰমধনৰ ৰাক্ষসৰ গুণ তেতিয়ালৈকো পূৰাপূৰি আছিল। সি তাৰ মায়াবলেৰে ঢেৰ বস্তু-বাহানিৰে সৈতে ৰাতিটোৰ ভিতৰতে গাঁৱৰ এচুকত দোকান এখন পাতিলে। ৰাতিপুৱা—এনেহেন ধুনীয়া দোকান এখন দেখা পাই গাঁৱৰ ৰাইজ অবাক! তাৰোপৰি, দাম-দৰ ইমান যে সস্তা, লৈ যাবৰ মন হ'ল বস্তা বস্তা।

চাওঁতে চাওঁতে ধৰমধনৰ দোকানৰ আৰু লগতে ধৰমধনৰো সুনাম গাঁৱৰ



সকলোতে বিয়পি পৰিল। ধৰমধনৰ নাম চাই যে কাম—সেই কথাত ৰাইজ একমত হ'ল।

দোকান—এখন নহয়, নামে-বেনামে কেইবাখনো আছিল বক্রবুদ্ধিৰ। ধৰমধনৰ দোকানৰ পাৰ-ওপোচা প্ৰশংসা শুনি শুনি বক্রবুদ্ধিৰ কাণৰ মলি এনেয়ে—গুচিল। বক্রবুদ্ধিয়ে ভাবি থাকিল: ৰ:, ধৰমধন, তোৰ কাণ কাটি তাল বজাম, তেহে বক্রবুদ্ধি মোৰ নাম।

এদিন বক্রবুদ্ধি ধৰমধনৰ দোকানলৈ গ'ল। গৈ—তাৰ চাবলগাখিনি চাই আহিল, আৰু পাছদিনা ধৰমধনক খতম্ কৰিবলৈ মালযুঁজাৰু গজবলক ধৰমধনৰ দোকানলৈ পঠালে। কিন্তু মালযুঁজাৰু গজবলে যেনিবা গল-বাঁহহে আঁৰি ল'লে, ধৰমধনক মাৰিবলৈ গৈ নিজেই ধৰমধনৰ আহাৰ হ'ল। ধৰমধনৰ ভালেই হ'ল, তাৰ মাহেকীয়া আহাৰৰ সমস্যা গুচিল।

কিন্তু পাছদিনাই—উগ্ৰ খঙত একোনাই হৈ স্বয়ং বক্রবুদ্ধি ধৰমধনৰ দোকানলৈ আহিল আৰু খঙতে কঁপি কঁপি ধৰমধনক কৈ থাকিল, "যাৰ গাত দহোটা হাতীৰ বল-শক্তি, বাৰটা সিংহৰ সাহস, মোৰ সেই সেৱক গজবলক তোমাৰ ইয়ালৈ পঠাইছিলোঁ মই। এগৰাকী তান্ত্ৰিকক ধৰি মই জানিলোঁ যে কোনোবা এটা ৰাক্ষসে লুকাই লুকাই তোমাক সহায় কৰিছে। সেই ৰাক্ষস ক'ত আছে? যদি এতিয়াই নোকোৱা, তোমাক মাটিত পুতি পেলাম।"

ধৰমধনে হিঁ হি হিঁহি বক্রবুদ্ধিক ক'লে, "তোমাৰ যেন নাম, তেন কাম। তোমাৰ বুদ্ধিয়েই কেৱল বক্র নহয়, চিন্তা-ভাবনাও বক্র। ৰাক্ষস ইয়াত কিয় থাকিব লাগেহে? ৰাক্ষস থাকিব ৰাক্ষসৰাজ্যত।"

বক্রবুদ্ধিয়ে ক'লে, "ঠিক আছে, মোক ৰাক্ষসৰাজ্যলৈ যাবলৈ বাট বতাই দিয়া। তুমি মোক ৰাক্ষসৰাজ্যলৈ পঠাই দিয়া।"

"পঠাব—পাৰোঁ। কিন্তু এই কাম কৰি

দিলে মোৰ লাভ কি হ'ব কোৱাচোন ? বিনা লাভত কোনো কাম কৰাত মই নাই। মই তোমাক ৰাক্ষসৰাজ্যলৈ পঠাওঁ যদি—তোমাৰ সা-সম্পত্তি য'ত যিমান আছে—মোৰ নামত লিখি দিব লাগিব।" ধৰমধনে ক'লে।

ধৰমধনৰ কথা শুনি বক্ৰবুদ্ধিয়ে ভাবি থাকিল : মই যদি ৰাক্ষসৰাজ্যলৈ গৈ—ৰাক্ষসৰাজ্যত থাকি—ৰাক্ষসী শক্তি তথা ৰাক্ষসী মায়ামন্ত্ৰ আয়ত্ত কৰিব পাৰোঁ—এই ধৰমধনটোক খেদেয়া দেখুৱাবলৈ কিমান পৰ লাগিবনো ?

বক্ৰবুদ্ধিয়ে ধৰমধনৰ নামত সকলো সা-সম্পত্তি লিখি দিলে।

ধৰমধনে নিজৰ আঙুলিত থকা বিশেষ আঙঠি এটা বক্ৰবুদ্ধিক পিন্ধাই দিলে, আৰু বছ, লগে লগে বক্ৰবুদ্ধি নোহোৱা হৈ গ'ল।

তাৰ পাছত সেই ধৰমধন সাধুবাবাৰ ওচৰলৈ গ'ল আৰু সাধুবাবাক ঘটনাৰ কথা ভাঙি-পাতি বিবৰিলে আৰু ক'লে, "হে মহাত্মা, আপুনি হ'ল সৰ্বজ্ঞ। গতিকে—ৰাক্ষসৰাজ্যলৈ যোৱাই যে ৰাক্ষস-চৰিত্ৰ পাব—সেই কথা ধুৰুপ। আৰু—যেতিয়া কোনোবা মানুহ মানুহৰ স্বভাব গুচি ৰাক্ষসৰ স্বভাব-চৰিত্ৰ পায়—তেতিয়া সেই মানুহটো কেৱল ৰাক্ষসেই নহয়—দানৱ হৈ যায়। গতিকে—বক্ৰবুদ্ধিও দানৱেই হ'ব, আৰু—আৰু ইয়ালৈ কোনোকালেই উভতি নাহিব। মই কিন্তু আৰু সেই ৰাক্ষসৰাজ্যলৈ ঘূৰি নাযাওঁ, কিয়নো—মানৱীয় গুণ প্ৰাপ্ত হৈ ৰাক্ষস-চৰিত্ৰলৈ মোৰ ঘৃণা উপজিল।"

সাধুৱে ধৰমধনলৈ আশীৰ্বাদ জ্ঞাপন কৰিলে।

পাছত ধৰমধনে মৰমীক বিয়া কৰাই মানুহৰ মৰমতে পমি মানুহৰ মাজতে জীৱন অতিবাহিত কৰিছিল।

বিনাশ্ৰমৰ আৰ্জন

শিৱপুৰ আছিল এখন সৰু যহৰ। তাত হৰিহৰ নামৰ যুৱক এজনে—কেনেকৈ পৰিশ্ৰম নকৰাকৈ ঢেৰ ধন আৰ্জিব পৰা যাব আৰু একো এটা নকৰাকৈয়েই সুখেৰে জীৱন কটাব—সেই কথা সদায় ভাবিছিল।

এবাৰ বাটত তাৰ ঘৰৰ চাবি হেৰাল। যেতিয়া বহুত বিচাৰিও চাবিপাট নাপালে, তেতিয়া নকলী চাবি বনোৱা মানুহ এজনক মোহনক—বিচাৰি লৈ আহিলগৈ। মোহনে দুই মিনিটতে নকলী চাবি বনাই তলা খুলি দিলে আৰু হৰিহৰৰপৰা পাঁচটকা ল'লে।

হৰিহৰে ভাবিলে: বৰ আচৰিত কথা! দুই মিনিটতে পাঁচ টকা! তেনেহ'লে—ঘণ্টাতনো কিমান? এই কাম দেখোন প্ৰায় বিনা পৰিশ্ৰমেৰে আৰ্জনৰ সমান!

হৰিহৰ মোহনৰ কাষ চাপিল আৰু তলা চাবিৰ কাম তাকো শিকাই দিব লাগে বুলি ক'লে। মোহন ৰাজী হ'ল, আৰু দুমাহতে তলা-চাবিৰ কাৰ হৰিহৰক শিকাই দিলে।

তাৰ পাছত মোহনে হৰিহৰক ক'লে, "হৰিহৰ, এই কামত বৰ দিগদাৰি আৰু বিপদো। সদায় সাৱধান হৈ থাকিবা, আৰু ভাবি-গুণি কাম কৰিবা।"

এবছৰত হৰিহৰে ঢেৰ টকা আৰ্জিলে এই কামেৰে। কামটো বাস্তৱিকেই বৰ বঢ়িয়া, সিমান পৰিশ্ৰমো নাই, আৰু ভাগ্যত থাকিলে—তলাৰ চাবিয়েই নহয়, ই ভাগ্যৰো চাবি—ভাগ্যৰ দুৱাৰ খোলাত এই কাম কোনো তুলনা নাই।

এদিন ৰাতিৰ পৰতে দুজন মানুহ আহিল আৰু চাবিৰলা হৰিহৰক মাতি লৈ গ'ল দুটা তলা খুলিবলৈ। সিহঁতে হৰিহৰক আগতীয়াকৈয়েই বিছটা টকা দিয়াত হৰিহৰে বৰ ভাল পালে—যি কি নহওক—মানুহ দুজনৰ বিৰাট পকীঘৰৰ দুখন দুৱাৰৰ তলা হৰিহৰে পটাপট খুলি দিলে, আৰু ঠিক তেতিয়াই দুজন প্ৰহৰীয়ে তিনিওকো গৰা মাৰি ধৰিলেহি। প্ৰহৰী দুজনে দুটা চোৰক আগৰেপৰাই চিনি পাইছিল, দুয়োটা দগধা। লগতে হৰিহৰকো কতোৱালৰ ওচৰলৈ লৈ গ'ল।

কতোৱালৰ প্ৰশ্নৰ উত্তৰত হৰিহৰে সকলো কথা ভাঙি-পাতি ক'লে কতোৱালোক। কতোৱালে ক'লে, "কোন চোৰ আৰু কোন গৃহস্থ—সেই ধাৰণাশক্তি তোমাৰ নাই যেতিয়া—তেতিয়া ক'ব পাৰি যে—তুমি এটি অধামুৰুখ। এয়া অতি দায়িত্বপূৰ্ণ কাম, মুৰুখৰ বাবে নহয়। নাভাবি-নুগুণি কৰিবা কাম, তেহে পাবা পিঠিত আৰাম। কতোৱালৰ ইংগিতত প্ৰহৰী দুজনে হৰিহৰৰ পিঠিত বাবৰি ফুল বাছিলে।



ৰূপধৰৰ যাত্ৰা

৩

[আগৰ কথা : ট্ৰয় যুদ্ধৰ অন্তত ৰূপধৰ আৰু তেওঁৰ অনুচৰহঁত স্বদেশলৈ বুলি যাত্ৰা কৰি, সমুদ্ৰৰ বুকুত ধুমুহা-বতাহৰ কোবত দিগভ্ৰান্ত হৈ গৈ গৈ নৰ-ৰাক্ষস ফাললোচনহঁতৰ দেখা পাইছিলগৈ। তাত সেই ফাললোচন নৰ-ৰাক্ষসহঁতৰ কবলৰপৰা কথমপি ৰক্ষা পাই কাঠেৰে ভুৰ সাজি, সেই ভুৰতে উঠি, বিশাল-বিস্তৃত সমুদ্ৰৰ বুকুৰেদি প্ৰায় দিশহাৰা হৈ তেওঁলোকৰ পৰমপ্ৰিয় স্বদেশ ইথাকাদেশলৈ বুলি গৈ থাকিল। আৰু তাৰ পাছত···]

ৰূপধৰৰ ভুৰবোৰ সমুদ্ৰৰ বুকুৰেদি গৈ গৈ এটি সুৰম্য দ্বীপ পালেগৈ। এই দ্বীপৰ ৰজা আছিল চিত্ৰাশ্ব। এই দ্বীপত এক কাঁহ-নিৰ্মিত দুৰ্গ দেখা গৈছিল, যি দুৰ্ভেদ্য দুৰ্গ আছিল দৰাচলতে ৰজা চিত্ৰাশ্বৰ প্ৰাসাদ।

ৰজা চিত্ৰাশ্বই ৰূপধৰলৈ আৰু ৰূপধৰৰ লগৰীয়াহঁতলৈকো আদৰণি জনালে।

ৰূপধৰ আৰু লগৰীয়াহঁত ৰজা চিত্ৰাশ্বৰ আলহী হৈ প্ৰায় এমাহ ইয়াতে থাকিল। এই এমাহ ধৰি ৰজা চিত্ৰাশ্বই ৰূপধৰৰপৰা ট্ৰয়-যুদ্ধৰ কাহিনী শুনিছিল।

এমাহৰ অন্তত এদিন ৰূপধৰে ৰজা চিত্ৰাশ্বক ক'লে, “মহাৰাজ, আমি বহু দিন আপোনাৰ অতিথি হৈ সুখ ভোগ কৰিলোঁ. এতিয়া বিদায় লোৱাৰ অনুমতি দিয়ক আৰু আমাৰ স্বদেশযাত্ৰালৈ যদি

কিবা ধৰণে সহায় আগ বঢ়াব পাৰে—দয়া কৰি সহায় আগবঢ়াওক।

ৰজা চিত্ৰাশ্ব আছিল বহুবিধ গুণৰ তথা শক্তিৰ অধিকাৰী। তেওঁ সপ্তবায়ুৰ চালনা কৰিব পাৰিছিল। তেওঁ এবিধ বায়ু বাদে ছয় বায়ু এটা সুদৃশ্য থৈলাত বন্ধ কৰি ৰূপধৰক দিলে, আৰু ক'লে, বোপা, এই থৈলা লগত ৰাখিবা আৰু একো-পধ্যেই নুখুলিবা। তেতিয়া নিৰ্বিঘিনিৰে তোমালোকে তোমালোকৰ দেশ পাবাগৈ। কিন্তু খুব সাৱধান। থৈলাৰপৰা সামান্যতম বায়ুও নোলায় যেন, তেতিয়া সৰ্বনাশ!"

ৰজা চিত্ৰাশ্বই কোৱাৰ দৰেই, সীমাহীন সমুদ্ৰৰ বুকুৰেদি নাওবোৰ স্বচ্ছন্দ গতিৰে গৈ থাকিল, আৰু এইদৰে নিৰ্বিঘ্নতাৰে গৈ গৈ নও দিন নও ৰাতিৰ অন্তত এদিন অনুচৰহঁতে, আৰু ৰূপধৰেও, বিশাল সমুদ্ৰৰ সিপাৰে—স্বদেশ ইথাকা-দেশৰ ৰেখা দেখা পাই আনন্দেৰে বিহ্বল হৈ উঠিল।

আৰু ইথাকাদেশৰ অধিক দেৰি যে নহ'ব, দেশৰ মাটি ছুবলৈ, সেই কথা দেখ দেখ। সকলোটিয়েই—অন্তত গৃহমুখ উপলব্ধি কৰি থাকিল।

মহাৰাজ চিত্ৰাশ্বই বন্দীকৰা ছয়বায়ুক বান্ধি দিয়া সেই থৈলাটো সদা-সৰ্বক্ষণেই ৰূপধৰে নিজৰ কাযতে লৈ লৈছিল, এতিয়াও আছে, ৰূপধৰ নিঃচিন্ত, এই থৈলা আন কোনেও নোখোলে, আৰু কোনো বিপদৰ সম্ভাৱনাও নাই। সমুদ্ৰও এতিয়া প্ৰায় সৰোবৰৰ দৰেই শান্ত। গতিকে — চিন্তা-দুঃচিন্তা কৰিবলগীয়া একো নাই।

এইবোৰ-এনেবোৰ কথা ভাবি ভাবি ৰূপধৰ এসময়ত টোপনি-গহুৰা হৈ পৰিল, আৰু অলপ সময়ৰ পাছত টোপনিত লাল-কাল দিলে। নাওবোৰ তীৰ পাওঁতে তেতিয়া আৰু অলপ সময়হে আছিল। টোপনিয়ে ৰবি-বকৰা নাজানে, গতিকে

—টোপনিয়ে জোকাই লোৱা ৰূপধৰেও তেওঁৰ অনুচৰহঁতৰ কথা-বাৰ্তাৰ একোৱেই নাজানিলে।

ৰূপধৰ গভীৰ টোপনিত থকা দেখি এজন অনুচৰেকৈ উঠিল, "বোলোঁ—সৌ থৈলাটোত কি আছেহে? তেওঁ দেখোন সদা-সৰ্বক্ষণেই থৈলোটোক খামুচি ধৰি থাকে। কথানো কি—?"

সিজনে ক'লে, "আৰুনো কি? ধন-সোণ, মণি-মুকুতা-হীৰা—এইবোৰেই আছে নিশ্চয়। পিছে—যিয়েই নাথাকক, আমাক একো-এটাও নিদিব।"

আন এজন অনুচৰে গহীন মাতেৰে ক'লে, "যোৱা দহ বছৰ ধৰি—তেওঁৰ লগে লগে আমিও ছুৰ্ভোগ ভোগ কৰা নাছিলোঁনে? আমিও আমাৰ পৰিবাৰ-পৰিজন এৰি জ্ঞান বাজি মাৰি তেওঁৰ সৈতে দেশ এৰি বিদেশলৈ যোৱা নাছিলোঁনে? অথচ—এই অতবোৰ উপহাৰৰ সামগ্ৰী তেওঁ অকলেই খামুচি ধৰি বহি থাকিছে! কেৱল উপহাৰ-সামগ্ৰীয়েইবা কওঁ কিয়? লুটৰ মালো নাইনে?"

চতুৰ্থ অনুচৰে ক'লে, "এতিয়া সেই থৈলাটো তেওঁ খামুচি ধৰি থকা নাই, গতিকে—থৈলাৰ ভিতৰত কি আছে-কি নাই খুলি চালে কিবা বেয়া হ'বনে

কথাটো?" সকলোটিয়েই চতুৰ্থ অনুচৰৰ মতত মত দিলে।

থৈলাটোৰ মুখ ৰূপৰ তাঁৰেৰে বন্ধা আছিল। এজন অনুচৰে সেই ৰূপৰ তাঁৰ এডাল এডালকৈ খুলি থাকিল।

যেতিয়া শেষ তাঁৰডাল থৈলাৰ মুখৰপৰা টান মাৰি ছিঙি পেলোৱা হ'ল—তেতিয়া হঠাৎ শান্ত সমুদ্ৰ চঞ্চল হৈ উঠিল, আৰু নিৰ্মেঘ আকাশত মুহূৰ্ততে ক'লা হৈ উঠিল। লগতে নাওবোৰ প্ৰচণ্ড ধুমুহা-বতাহৰ কোবত ইকাতি-সিকাতি হৈ তুলি থাকিল আৰু নাৰত থকা অনুচৰ-হঁতৰ মাজত কিছুমান কটা কলগছৰ দৰে

সমুদ্ৰৰ বুকুত পৰি অদৃশ্য হৈ থাকিল।

আৰু তেতিয়াহে ৰূপধৰ জাগি উঠিল।

তিমানেতে নাওবোৰ টলং-ভটংকৈ দিশহাৰা হৈ প্ৰচণ্ড বায়ুৰ কোবত কোবেৰে গৈ আছিল। অলপ সময়ৰ আগতে দেখা পোৱা ইথাকাদেশৰ সেই সমুদ্ৰতীৰ কেতিয়াবাই নোহোৱা হৈ পৰিছিল। এক বৰ্ণনাতীত নিৰাশাই ৰূপধৰৰ বুকুত খুন্দিয়াবলৈ ধৰিলে: মহাৰাজ চিত্ৰাশ্বৰ আদেশ আখৰে আখৰে পালন কৰিও শেহান্তৰত হোৱা ভুলৰ বাবে—টোপনিৰ কোলাত জাহ যোৱাৰ বাবে…।

তেতিয়া সেই অনুচৰহঁতে বুকু থপৰিয়াই থপৰিয়াই কান্দি আছিল। কিন্তু এতিয়া আৰু কান্দিয়েইবা কি লাভ?

যি কি নহওক—ৰূপধৰৰ নাওবোৰ ডুবোঁ ডুবোঁ হোৱা সত্বেও নুডুবিল, আৰু এসময়ত মহাৰাজ চিত্ৰাশ্বৰ দ্বীপত থকা দেশৰ সমুদ্ৰ তীৰতে ৰ'লগৈ। তেতিয়াহে সেই প্ৰচণ্ড ধুমুহা-বতাহ মাৰ গৈছিল।

এজন অনুচৰক লগত লৈ ৰূপধৰে পুনৰ মহাৰাজ চিত্ৰাশ্বৰ কাষ চাপিল আৰু অকপটে সকলো কথা — বিশেষকৈ ৰূপধৰে তেওঁৰ নিজৰ টোপনিজনিত ত্ৰুটিৰ কথা—মহাৰাজক ক'লে আৰু ইথাকা-দেশলৈ যাবলৈ পুনৰ এবাৰ মহাৰাজৰপৰা সহায় প্ৰাৰ্থনা কৰিলে।

হঠাৎ মহাৰাজ চিত্ৰাশ্বই অগ্নিমূৰ্তি

ধাৰণ কৰিলে আৰু ৰূপধৰক ক'লে,"পাপী ৰূপধৰ ! তুমি যে কি মহা অন্যায় কৰিলা —সেই বোধ তোমাৰ নাই। যেই কি নহওক—তুমি এতিয়াই মোৰ দেশৰ সীমা এৰি গুচি যোৱা, নহ'লে—আমাৰ বায়ু দেৱতায়েই তোমাক দণ্ড বিহিব—আৰু সেই দণ্ড হ'ব—প্ৰাণদণ্ড। মই তোমালৈ আৰু কোনো সহায়তা আগ নবঢ়াওঁ।"

ৰূপধৰে তেওঁৰ অনুচৰবিলাকৰে সৈতে পুনৰ নাও মেলিলে। কিন্তু আগৰ সেই আশাক এতিয়া নিৰাশাৰ অন্ধকাৰে নেদেখা কৰি তুলিলে।

এইদৰে, এবুকু নিৰাশাৰ বোজা বুকুত বান্ধি লৈ, ব'ঠা মাৰি মাৰি, একেৰাহে ছয় দিন-ছয় ৰাতি গৈ থাকি থাকি, এদিন এক বিচিত্ৰ দ্বীপৰ সমুদ্ৰতট পালেগৈ। তাত 'ৰাতি' বোলা একো নাই, সদা-সৰ্বক্ষণেই খাওঁ খাওঁ মূৰ্তিৰে বেলি উজ্জলি আছে। কেতিয়াবা সূৰ্য্যাস্ত হয়, একেবাৰে নোহোৱা নহয়; কিন্তু ক্ষন্তেকৰো ক্ষন্তেকৰ বাবেহে, ন-আগন্তুকে সেই কথাৰ গমেই ধৰিব নোৱাৰে।

ৰূপধৰৰ নাওবোৰ সমুদ্ৰতটস্থ পাহাৰৰ গাত বৈছিলগৈ। নাৰৰপৰা নামি ৰূপধৰে কেইজনমানক লগত লৈ পাহাৰৰ টিঙত উঠিলগৈ।

টিঙত থিয় হৈ চাৰিওফালে দৃষ্টিক প্ৰসাৰিত কৰিলে ৰূপধৰে, ওচৰে-পাজৰে



ক'তো-কেনিও কোনো সেউজীয়া পথাৰ-সমাৰ, আনকি গছ-গছনিও চকুত নপৰিল। কিন্তু এঠাইৰপৰা কুণ্ডলী পকাই ধোঁৱা ওলবা দেখা গ'ল যেতিয়া, তেতিয়া ৰূপধৰে সেই দ্বীপতো মানুহ আছে বুলি নিঃচিন্ত হ'ল।

ৰূপধৰে তেওঁৰ তিনিজন বিশ্বস্ত অনুচৰক সেই ধোঁৱা ওলোৱা ঠাইলৈ পঠালে আৰু ক'লে, "যোৱা,চাই আহাগৈ তাত কেনেকুৱা ধৰণৰ মানুহ আছে—চাই আহা। তুৰন্তে ঘূৰিবা।"

তিনিও গৈ গৈ এঠাইত লুংলুঙীয়া বাট এছোৱা, আৰু সৰোবৰ এটাও দেখা পালে। আৰু অলপমান দূৰ আগুৱাই যোৱাৰ পাছত পানী আনিবলৈ কলহ লৈ গৈ থকা ছোৱালী এজনীক লগ পাই অনুচৰ এজনে তাইক সুধিলে, "এই দেশৰ মহাৰাজক ক'তনো লগ পোৱা যাব?"

ছোৱালীজনীয়ে হাত দাঙি দূৰত থকা অতি বিচিত্ৰ ধৰণৰ ঘৰ এটালৈ আঙু-লিয়ালে, আৰু তেতিয়া তিনিও সেইপোনে আগুৱাই গ'ল।

আৰু সেই বিচিত্ৰ ঘৰটোৰ দুৱাৰমুখ পাওঁতেই দেখাত ৰাক্ষসীহেন বিকৃত-বিভৎস তিৰোতা এজনীক বহি থকা দেখা পাই তিনিও একেলগে শিল হৈ ৰৈ দিলে।

সেই তিৰোতাজনীয়ে চিঞৰি চিঞৰি কিবাকিৰি কৈ থাকিল আৰু লগে লগে এটা অতি বিভচ-কুৰূচ ৰাক্ষসৰূপী মানুহ ওলাই আহি এজন অনুচৰক থাপ মাৰি ধৰি সিহঁতৰ চাংমাইশাললৈ দলি মাৰি পঠালে আৰু তিমানতে ৰূপধৰৰ আন অনুচৰ দুজনে মৰো-জীওঁকৈ দৌৰি দৌৰি হেঁপাই-ফোঁপাই ৰূপধৰক এই ভয়ংকৰ বতৰা দিয়াত ৰূপধৰে জাঁপমাৰি নাৰত উঠি, অনুচৰ দুজনকো টানি উঠাই লৈ তৎমুহূৰ্ততে নাও এৰি সেই মহাৰাক্ষস দ্বীপ এৰি সমুদ্ৰৰ বিশ্বস্ত বুকুত পুনৰ নিৰুদ্দেশৰ যাত্ৰী হৈ নাও মেলি দিলে। [আগলৈ



চান্দমামা-সম্বাদ

পিৰামিডীয় ঘৰ

এয়া হ'ল মিছৰৰ পিৰামিড। সমান্তৰাল ভেটিৰ ওপৰত তিনকোণীয়া এই সুবৃহৎ ঘৰত মিছৰীয় লোকসকলে খাদ্যৰপৰা আৰম্ভ কৰি মদ্য, আনকি মৃতদেহও অবিকৃত ভাবে হাজাৰ হাজাৰ বছৰ ধৰি ৰক্ষা কৰিব পাৰিছে। এই 'পিৰামিড আজিৰ ইমান উন্নত বিজ্ঞানৰ দিনতো বিস্ময়ৰূপেই পৰিগণিত হৈ আহিছে। এই



পিৰামিডীয় কৃৎকৌশল অৱলম্বন কৰি আজিৰ দিনৰ 'প্যাকিং-বিশেষজ্ঞ' সকলে বস্তু-সামগ্ৰী দীৰ্ঘদিনলৈ আবিকৃত ভাবে সংৰক্ষণ কৰিবলৈ তাহানিৰ পিৰামিডীয় ভঁৰাল-ঘৰ নিৰ্মাণৰ বাবেই পৰামৰ্শ দি কাৰ্ডবোৰ্ডেৰে বাকচ তৈয়াৰ কৰি ইতি-মধ্যেই ফল-সংৰক্ষণ আৰম্ভ কৰা হৈছে। পিৰামিডৰ আকৃতিৰ ঘৰত স্বাস্থ্য ভাল থাকে বুলিও কোৱা হৈছে। আহক, আমিও পিৰামিডীয়া ঘৰকে সাজোঁ!

অ'কাশী অট্টালিকা

কিন্তু জাপানৰ বিল্ডিং-বনাওঁতাসকলৰ মত বেলেগ। তেওঁলোকৰ ৩৭ গৰাকী বিল্ডিং-নিৰ্মাতা সম্প্ৰতে চীনদেশৰ ছাংহাই নগৰলৈ আহিল—তাত এটি 'আকাশী' অট্টালিকা নিৰ্মাণৰ বাবে। এই অট্টালিকা হ'ব ৪৭০ মিটাৰ ওখ, ৯৫ মহলীয়া। মালয়েছিয়াত ৪৫২ মিটাৰ আৰু আমেৰিকাৰ শ্বিকাগোত ৪৪৩ মিটাৰ ওখ বৃহদাকাৰ অট্টালিকা প্ৰস্তুতিৰ পথত। চীনদেশৰ ছাংহাইৰ আকাশী অট্টালিকাটিৰ খৰচ প্ৰায় ৮৮৮২ মিলিয়ন ডলাৰ।

দাঁতৰ ঘৰ

ছাংহাইৰ ৪,৭০ মিটাৰীয় আকাশ-লংঘা অট্টালিকাৰ লগত ৰিজাই চালে ২.৫ মিটাৰ ওখ কিবা এটাক এটা পকৰা যেনো নালাগিব। যি কিন হওক—এইখন চহৰ ছাংহাইৰ দাঁতৰ ডাক্টৰ ইয়া ক্যুইয়ানে ২৮০০০ দাঁতেৰে এটি পিৰামিডীয় ঘৰ সাজিলে—যোৱা ৩০ বছৰ ধৰি মানুহৰ মুখৰপৰা উলিউৱা দাঁতেৰে! ৰেকৰ্ড বুক অৱ বিষয়াসকলে এই ঘৰ চাই গ'ল।

ৰবৰৰ মথাউৰি

৫০০ মিটাৰ দীঘল আৰু ৩·৫ মিটাৰ ওখ এটা মথাউৰি সজাৰ কাম চলি আছে—যিটো মথাউৰি শিল বা বিলাতী মাটিৰে নহয়—ৰবৰৰ থৈলাত পনী বা গ্যাছ ভৰাই তেনেবোৰ থৈলাৰেহে সজা হৈছে। কোৱা হৈছে যে—ৰবৰৰ থৈলাৰ পদ্ধতি শিল বা ছিমেণ্টতকৈ অধিক কাৰ্য্যকৰী। ই-ও চীন-দেশৰে ভোজ বাজী!

ক্ষণিক-ভুলৰ মূল্য

অদম্য ৰজা বিক্ৰমাদিত্যই পুনৰ সেই গছজোপাৰপৰা মৃতদেহটো নমাই আনি, কান্ধত পথলিকৈ পেলাই লৈ, ঘোৰ অমানিশাৰ মাজেদি মৰিশালিলৈ বুলি গৈ থাকোঁতে মৃতদেহৰ মাজত থকা বেতালে লৰিচৰি কৈ উঠিল : "হে ৰজা, তুমি কোনোবা এখন দেশৰ ৰজা, লোকজ্ঞানী, বিবেচক। কিন্তু যুগ যুগ ধৰি কৰি থকা এনেহেন অকল্পনীয় কাৰ্য্য বাস্তবিকেই তোমাৰ স্ববুদ্ধিজাত হয়নে নহয়, সেই কথাত মই সন্দিহান। কেতিয়াবা কিন্তু মহাজ্ঞানী-মহাবিবেকীও ক্ষণিকৰ ভুলতে মৰ্য্যাদাহীন হৈ পৰে, লোকচক্ষুত অপৰাধী সাব্যস্ত হয়। আশা কৰোঁ এই বিষয়ে তুমিও সাবধান হৈ যি কৰা কৰিবা। তাৰ আগতে—উদাহৰণ হিচাপে সম্মানিত ৰাজগুৰু সৌম্যপতিৰ কাহিনী তোমাক কওঁ শুনা।" বেতালে পুনৰ ক'বলৈ ধৰিলে :

'বেতাল-কথা'

ৰাজ্যৰ ৰজা দমনসিংহয়েই এই কাম কৰিলে। দমনেই কোনোবা অনুচৰ প্ৰেৰণ কৰি ৰাজপুত্ৰক অপহৰণ কৰিলে।

হৰিত ৰাজ্য আছিল শ্বেতদ্বীপৰাজ্যৰ তাহানিকলীয়া শত্ৰু। এই শত্ৰুতা পুৰুষ-পৰম্পৰাই চলি আহিছে, যদিও কোনেও কাকো কাহানিও আক্ৰমণ কৰা নাছিল।

যি কি নহওক—ৰজা বিবেকবৰ্দ্ধনৰ মনৰ সন্দেহ তেতিয়া সুদৃঢ় হ'ল, যেতিয়া শ্বেতদ্বীপৰাজ্যৰ সাগৰতটত হৰিত ৰাজ্যৰ ৰাজগুৰু সৌম্যপতিক তেওঁৰ নাৱৰে সৈতে পোৱা গ'ল। ৰাজগুৰু সৌম্যপতি মহাজ্ঞানী আৰু মহান বিবেকৱান পুৰুষ। তেওঁৰ বিভিন্ন জ্ঞানৰ সীমা-পৰিসীমা নাই। তেওঁ হেনো পশু-পক্ষীহঁতৰ ভাষাও বুজি পায়।

ৰাজগুৰু সৌম্যপতিক বন্দী কৰি লৈ অহা হ'ল। ৰজা বিবেকবৰ্দ্ধনে সৌম্যপতিক বিভিন্নধৰণেপ্ৰশ্ন কৰিলে, কিন্তু ৰাজপুত্ৰৰ নিৰুদ্দেশ হোৱাৰ বিষয়ে সৌম্যপতিয়ে একো ক'ব নোৱাৰিলে। সৌম্যপতি ইয়ালৈ কিয় আহিছিল—এই প্ৰশ্নৰ উত্তৰত সৌম্যপতিয়ে ক'লে যে—হৰিতৰাজ্যৰ ৰাজকোঁৱৰৰ ৰাজ্যাভিষেকৰ নিমন্ত্ৰণ কৰাৰ বাবে তেওঁক বিভিন্ন ৰাজ্যলৈ, আৰু এই শ্বেতদ্বীপ ৰাজ্যলৈকো পঠোৱা হৈছে।

যদিও ৰাজগুৰু সৌম্যপতিয়ে

শ্বেতদ্বীপৰাজ্যৰ ৰজাই তেওঁৰ জীৱনৰ আবেলিতে পুত্ৰ-সন্তানৰ পিতৃ হ'ল। কিন্তু দুৰ্ভাগ্য ৰজাৰ, পুত্ৰৰ পঞ্চম জন্মদিনত উদ্যানৰপৰা পুত্ৰটি নোহোৱা হ'ল।

জন্মদিনত উদ্যানবনত পুত্ৰটিয়ে বল এটা লৈ একমনে খেলি আছিল, ৰজা আৰু ৰাণীও তাতেই বহি আছিল; কিন্তু এসময়ত পুত্ৰটি নেদেখা হৈ পৰিল, আৰু তাৰ পাছত—কেৱল সেই উদ্যানবনতে নহয়, শ্বেতদ্বীপৰাজ্যৰ চুকে-কোণে তন্ন তন্নকৈ বিচাৰিও পুত্ৰক নোপোৱা হ'ল।

গভীৰভাৱে ভাবি ভাবি ৰজা বিবেক-বৰ্দ্ধনৰ ধাৰণা হ'ল: নিশ্চয় চুবুৰীয় হৰিত

যথাযথভাবে ৰজা বিবেকবৰ্দ্ধনৰ প্ৰশ্নৰ উত্তৰ দিলে, তথাপি তেওঁক এৰি দিয়া নহ'ল। পুত্ৰক তেৱেঁই বিচাৰি উলিয়াই দিব লাগিব বুলি বিবেকৰজাই ৰাজগুৰু সৌম্যপতিৰ ওপৰত আদেশ জাৰী কৰিলে। কথা? তেওঁ কেনেকৈ ৰাজকোঁৱৰক বিচাৰি উলিয়াব? তেওঁ বহু ভাবিও একোৱেই বুজি নাপালে; কিন্তু এই কথাটো উত্তমৰূপে বুজি পালে যে—ৰাজকোঁৱৰক বিচাৰি নোপোৱালৈকে তেওঁ যে এই ৰাজ্যতে বন্দীজীৱন যাপিব লাগিব সৌম্যপতিয়ে উপলব্ধি কৰিলে।

হৰিতৰাজ্যৰ ৰাজগুৰু সৌম্যপতিক বিবেকৰজাই তেওঁৰ দুৰ্ভেদ্য দুৰ্গত প্ৰকাৰান্তৰে আটক কৰি থৈছিল। সেই দুৰ্গৰ বুৰুজৰ ওপৰত টহলি থাকোঁতে সৌম্যপতিয়ে চিন্তা কৰি আছিল ৰাজপুত্ৰ নোহোৱা হোৱাৰ ঘটনাসূত্ৰ। আৰু ঠিক তেনেতে—এ অতিবৃহৎ আকৃতিৰ শগুণ-জাতীয় বিৰাট চৰাই এটাক সাগৰৰ-ফালৰপৰা দুৰ্গৰ পিনে তীব্ৰ গতিৰে উৰি অহা দেখা পাই তেওঁ সেই প্ৰকাণ্ড চৰাইটোৰ গতি-বিধিলৈ একেথিৰে চাই থাকিল। এই প্ৰকাণ্ড শগুণ চৰাইটোৱে আকাশত কেইবাবাৰো পাক খাই খাই দুৰ্গৰ ওচৰত উদ্যানবৰ কাষতে এজোপা বৰগছৰ ওপৰত নামিলহি। আৰু পাছ মুহূৰ্ততে সেই বিৰাট বৰজোপাৰ ডালে ডালে অন্যান্য বিধোবিধ চৰাইৰ কলৰৱ উঠিল। সৌম্যপতিয়ে মূৰ দুপিয়ালে। কিয় দুপিয়ালে—তেওঁহে জানিব; কিন্তু তেওঁ যিহেতু পশু-পক্ষীৰো ভাষা বুজে, সিহেতুকে এই পক্ষীহঁতৰ কি হ'ল তাক নিশ্চয় বুজি পোৱা হৈছে তেওঁ। তেওঁ দুৰ্গৰ বুৰুজৰপৰা নামি সেই উদ্যানবনলৈ আহিল, আৰু চৰাইবিলাকৰ কলৰৱ তৎক্ষণাৎ বন্ধ হ'ল। সৌম্যপতিয়ে সেই বৰগছত—ডালে-পাতে ঢকা—এক বিৰাট খোৰোং দেখা পালে আৰু তেওঁ সেই



ডালে-পাতে ঢাক খাই পৰা বিৰাট খোৰোংটোৰ কাষ চাপিল।

তাৰ পাছত তেওঁ—যদিও কষ্ট হ'ল—তথাপি সেই খোৰোঙৰ ভিতৰলৈ সোমাল আৰু তাৰপৰা দেখা পোৱা তলৰ মাটিলৈ চালে আৰু অলপ পানীৰ ওপৰত বল এটা ওপঙি থকা দেখা পাই— অধিক তীক্ষ্ণ দৃষ্টিৰে ইফালে-সিফালে চাবলৈ ধৰিলে। বৰগছৰ তলৰ এই মাটিডোখৰ আছিল চাৰিওফালৰপৰা গছ-বনেৰে আগুৰা কিন্তু খোৰোঙৰ ভিতৰৰপৰা ঠাইডোখৰ পৰিষ্কাৰভাৱে মনিব পাৰি।

হঠাৎ তেওঁৰ চকু পৰিল সেই ঠাইত থকা এডাল বিৰাট ক'লা সাপৰ ওপৰলৈ। কিচকিচকৰে ক'লা সাপটোৱে তাৰ বিৰাট পদুমফুলীয়া ফেঁট মেৰি তুলি তুলি ইফালে-সিফালে চাই আছিল, আৰু তাৰ পাছত তাৰপৰা নোহোৱা হৈছিল।

আৰু তেতিয়া, তেতিয়া অকস্মাৎ ৰাজগুৰু সৌম্যপতিৰ চকুৰ পুতলিযুৰিয়ে ৰৈ দিলে।—এয়া তেওঁ কি দেখিছে!

সেইখন গছ-গছনিৰে আগুৰা ঠাইৰ এচুকত পৰি আছে ল'ৰা এটিৰ মৃতদেহ!

ৰাজগুৰু সৌম্যপতিৰপৰা এই বিষাদৰ বাতৰি পাই ৰজা বিবেকবৰ্মাদেৱ আৰু মহাৰাণীও উন্মাদৰ দৰে লৰি আহিল আৰু তেওঁলোকৰ প্ৰাণৰো পাণ পুত্ৰটিৰ নিষ্প্ৰাণ দেহ উদ্ধাৰ কৰি আনিলে। ৰাজকোঁৱৰৰ দেহই যদিও নীলা বৰণ লৈছিল, তথাপি সেই দেহ কোনোবা অজ্ঞাত কাৰণত অবিকৃত হৈ আছিল।

ৰজা বিবেকবৰ্মাদেৱে ৰাজগুৰু সৌম্যপতিক বিষাদিত কণ্ঠেৰে ক'লে "আপুনি মহাজ্ঞানী অলৌকিক শক্তিসম্পন্ন পুৰুষ বুলিহে আমি আমাৰ মৰমৰ সন্তানটিক ঘূৰাই পালোঁ। আমাৰ পুত্ৰটি যে প্ৰাণহীন—সেয়া আমাৰ দুৰ্ভাগ্য। পিছে — আপুনি যদি তাক বিচাৰি উলিয়াব পাৰিছে, তাক হয়তো

পুনর্জীৱিতও কৰিব পাৰিব আপোনাৰ অলৌকিক শক্তিৰে।"

"অসম্ভৱ—!"

ক্রুদ্ধ-বিৰক্ত ৰাজগুৰুৱে বিবেক নামৰ অবিবেকী ৰজালৈ চাই কৈ উঠিল, "জীৱন-মৃত্যু ঈশ্বৰৰ হাতত, জগতৰ কোনো মানৱৰ এই শক্তি নাই।"

"কিন্তু আপুনি আমাৰ প্ৰাণাধিক পুত্ৰক পুনৰ্জীৱিত কৰিবই লাগিব, নহ'লে আপুনিও ইয়াৰপৰা ওলাব নোৱাৰিব।" এই বুলি কৈ, ৰজা বিবেক তৎমুহূৰ্ততে তাৰপৰা গুচি গ'ল।

ইমান এক অজ্ঞান-অবিবেকী ৰজাৰ কবলৰপৰা উদ্ধাৰৰ উপায় চিন্তি থাকিল সৌম্যপতিয়ে। আৰু ঠিক তেতিয়াই ক'ৰবাৰপৰা দুটা বান্দৰ তালৈ দৌৰি দৌৰি আহিল, আৰু এটা বান্দৰক এডাল ভয়ানক সৰ্পই ফেঁট তুলি খুটি মুহূৰ্ততে পলাই গ'ল।

এইবোৰ ঘটনা--যেনিবা নিমিষতে ঘটিল, চকুৰ পচাৰ নোপৰোঁতেই সৰ্পাঘাতত ৰাজগুৰুৰ চকুৰ আগত বান্দৰটো মৰিল।

অন্য বান্দৰটোৱে সাপে-খোটা বান্দৰটোক পৰীক্ষা কৰি চালে, আৰু তাৰ পাছত জঁাপ মাৰি মাৰি ইগছ-সিগছ বগাই, বহু দূৰলৈ গৈ জঁপিয়াই তললৈ পৰি, ঠাৰি এডাল বুটলি লৈ, পুনৰ জঁাপ মাৰি মাৰি ইগছ-সিগছ বগাই পুনৰ ইয়ালৈকে





আহিল, আৰু আহিয়েই সৰু ঠাৰি এডাল সেই মৃত বান্দৰটোৰ মুৰত ছোৱালে আৰু তিনিবাৰ ফু মাৰিলে।

আৰু লগে লগে সেই মৃত বান্দৰটোৱে চকু মেলি চালে!

ইমান বিস্ময়কৰ ঘটনা সৌম্যপতিয়ে প্ৰত্যক্ষভাবে দেখি থাকিল আৰু দ্ৰুততাৰে অন্য এক চিন্তা কৰি থাকিল।

তাৰ পাছত—হঠাৎ যেনিবা কিবা এক পোহৰৰ সন্ধান পাই সৌম্যপতি সেই বান্দৰ দুটাৰ কাষ চাপিল আৰু তেওঁ বান্দৰ দুটাক সিহঁতৰ ভাষাৰে কিবাকিবি কৈ থাকিল। তেতিয়া বান্দৰ দুটাৰ মাজত এটাই সেই জীয়ন-কাঠীৰূপী ঠাৰিডাল ৰাজগুৰু সৌম্যপতিৰ হাতত দিলে আৰু তাৰ পাছত সিহঁতৰ ভাষাৰে কিবা এটা কৈ, তাৰপৰা জঁাপ মাৰি গছলৈ উঠিলেগৈ।

ৰাজগুৰু সৌম্যপতিয়ে জীয়ন-কাঠীৰূপী সেই ঠাৰিডালেৰে মৃত ৰাজকোঁৱৰৰ জীৱন ঘূৰাই আনিব পৰা যায়নে কি পৰীক্ষা কৰিবলৈ মন মেলিলে। তেওঁৰ ধাৰণা হ'ল: যদি সেই বান্দৰটোক সাপে খুটি মাৰি পেলোৱাৰ দৰে ৰাজকোঁৱৰকো সাপে খুটি মাৰিছিল— তেনেহ'লে এই ঔষধিগুণসম্পন্ন ঠাৰিৰ সহায়ত হয়তো ৰাজকোঁৱৰো পুনৰ্জীৱিত হ'ব।

ৰাজপ্ৰাসাদৰ চৌহদতে এজোপা গছৰ তলত পালেঙৰ ওপৰত ৰাজকোঁৱৰৰ মৃতদেহ শোৱাই থোৱা হৈছিল আৰু প্ৰহৰীহঁতে পহৰা দি আছিল। ৰাজগুৰু সৌম্যপতি তালৈ আহিল, আৰু বান্দৰে লৈ অহা সেই জীয়ন-কাঠীৰূপী গছৰ ঠাৰিডাল মৃত ৰাজকোঁৱৰৰ মস্তকত ছোৱাই তিনিবাৰ ফু মাৰিলে।

আৰু লগে লগে সেই ৰাজকোঁৱৰে চকু মেলি চালে।

ৰাজকোঁৱৰ উঠি বহিল, যেনিবা এইমাত্ৰ টোপনিৰপৰা সাৰ পাইছে!

এই অভিনৱ সম্বাদ পাই কেৱল ৰজা-ৰাণীয়েই নহয়, সমগ্র শ্বেতদীপৰাজ্যত আনন্দৰ জোৱাৰে উটুৱালে। ৰজা বিবেকবৰ্দ্ধনে হৰিতৰাজ্যৰ ৰাজগুৰু সৌম্যপতিক অজস্র ধন-সোণেৰে আপ্যায়িত কৰিব খুজিলে, কিন্তু সৌম্যপতিয়ে ৰজাক ক'লে, "মোক ধন-সোণ নালাগে, মোক লাগে—মোৰ দেশৰ মাটিৰ গন্ধ, লাগে মোৰ পৰিয়াল-পৰিজনৰ আনন্দ।"

কিন্তু ৰজাই তেওঁক যাবলৈ অনুমতি নিদিলে। ৰজাই সৌম্যপতিক ক'লে, "আপুনি যিবোৰ বিদ্যা আয়ত্ত কৰিলে, সেইবোৰ বিদ্যা পুত্ৰটিক শিকাই দিয়াৰ পাছতহে আপোনাক মুক্তি দিয়া হ'ব।"

কোনো উপায় নেদেখি সৌম্যপতিয়ে তেওঁ জনা সৰ্ববিদ্যা ৰাজকোঁৱৰক শিকাই দিয়াৰ পাছত ৰজাই এদিন সৌম্যপতিক মুক্তি দিলে। কিন্তু সৌম্যপতি গুচি যোৱাৰ সময়ত ৰাজকোঁৱৰৰ কাণে কণে কিবা এষাৰ কৈ গৈছিল, তাৰ প্ৰভাৱত, তেওঁ গুচি যোৱাৰ পাছ মুহূৰ্তৰেপৰাই ৰাজকোঁৱৰে সৰ্ববিদ্যা পাহৰি পেলাইছিল।

বেতালে বিক্ৰমাদিত্যক ক'লে "হে ৰাজন্! ৰাজগুৰু সৌম্যপতিৰ স্তৰৰ ব্যক্তিৰ পক্ষে এই প্ৰতাৰণা নীচ কাম হোৱা নাছিলনে? কিয় এই ভুল কৰিছিল তেওঁ?—মোৰ প্ৰশ্নৰ সদুত্তৰ দিয়া, নহ'লে তোমাৰ মূৰ ফটি চাৰিফাল হ'ব।"

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "অবিবেকী ৰজা বিবেকবৰ্দ্ধনৰ অতিশয় অন্যায় কাৰ্য্যৰ পৰিপ্ৰেক্ষিতত ৰাজগুৰু সৌম্যপতিৰ এই কাৰ্য্যক নীচ বুলি ক'ব নোৱাৰি। এগৰাকী মহৎ লোকৰ জীৱনত এয়া হ'ল—ক্ষণিক-ভুলৰ মূল্য।"

এই কথা কোৱাৰ লগে লগেই বেতালে সেই মৃতদেহটোৰে সৈতে পুনৰ সেই গছলৈ সাউতকৰে গুচি গ'ল। [কল্পিত



সন্দেহৰ পৰিণাম

শ্যামপুৰৰ মুঞ্চুপ ঘোৰাত উঠি ক'ৰবালৈ গৈ আছিল। গৈ গৈ এঠাইত এক ডাঙৰ পুখুৰীৰ পাৰত বৈ দিলে তেওঁ, আৰু তেতিয়াই বিপৰীত ফালৰপৰা ডাঙৰ বেপাৰী দহিৰামক ঘোঁৰাত উঠি এই পোনে আহি থকা দেখা পালে।

মুঞ্চুপ আছিল কমকথাৰ মানুহ আৰু দহিৰাম বেপাৰী বৰ-কথকী—বাচাল। মুঞ্চুপে এই কথা ভাবি ভয় খালে যে এইবাৰ দহিৰামৰ মুখৰ কথাতে তেওঁৰ মৰণ হ'ব। কেনেকৈ দহিৰামৰ মুখ বন্ধ কৰিব পাৰি?

মুঞ্চুপৰ কাষ পায়েই দহিৰামৰ ঘোঁৰাটো নিজে নিজেই ৰ'ল, আৰু লগে লগে দহিৰামেও মুখৰ দুৱাৰ খোলা হ'ল। দহিৰামে এবাৰমাত্ৰ 'হে ই ৰি—' বুলি কৈয়েই—বেপাৰ কি, বেপাৰী কাক বোলে, দেশত যে এতিয়া সজ বেপাৰী নাই সেইবোৰ সাৰগৰ্ভী কথাৰ ধাৰ বোৱাবলৈ ধৰিলে, আৰু মুঞ্চুপে মুখত পিঠা ভৰাই সেইবোৰ বলকনি হজম কৰিবলৈ ধৰিলে।

তাৰ পাছত মুঞ্চুপে দহিৰামৰ মুখৰপৰা ৰক্ষা পৰিবলৈ উপায় এটি আৱিষ্কাৰ কৰি দহিৰামক ক'লে, "দহিৰাম, মোৰ লগত বাজি মাৰিবানে বাৰু—? আমাৰ গাঁও ৰামপুৰ পোৱাৰ আগলৈকে মুখৰ নহয়—কেৱল মনতে ৰামনাম জপ কৰিব লাগিব। মুখেৰে মাতিলেই কিন্তু বাজি হাৰিব লাগিব। জিকিলে—মই মোৰ ঘোঁৰাটো তোমাক দিম।"

"ইমানেইনে কথা—? এয়া এতিয়াই মুখত ঠিলা দিলোঁ, চিলাই কৰিলোঁ। ব'লা;" দহিৰামে ঘোঁৰা চলাই দিলে।

যেতিয়া ৰামপুৰ গাঁও পাওঁ পাওঁ—তেতিয়া হঠাৎ দহিৰামৰ মনত কিবা এটা সন্দেহ উপজিত আৰু সি মুঞ্চুপক সুধিলে "কেৱল ঘোঁৰাটোকে দিবানে? ঘোঁৰাৰ জীনটো—ছাল-গাদ্দীটোও নিদিবানে বাৰু?"

প্ৰাচীন দেক্কানৰ দুৰ্গকাহিনী-২

লিপি : মীৰা উগ্ৰা * চিত্ৰ : অমিতা চহ্বান

ত্ৰয়োদশ শতিকাত যেতিয়া মাৰ্কো পোলোই ভাৰত-পৰিভ্ৰমণলৈ আহিছিল, তেতিয়া দক্ষিণ ভাৰতৰ ওৱাৰাংগাল অঞ্চলৰ কাকতীয় ৰাজত্ব আছিল এক উল্লেখযোগ্য ৰাজনৈতিক শক্তি। মাৰ্কোপোলোই কাকতীয় ৰাজত্বকালৰ দুৰ্গ-নগৰৰ উজ্জ্বল বৰ্ণনা দাঙি ধৰিছিল। ৰাণী ৰুদ্ৰাম্মাই এই দুৰ্গ চাৰিওফালে সুউচ্চ প্ৰাচীৰ সাজি এই দুৰ্গক দুৰ্ভেদ্য কৰি তুলিছিল।

ৰাণী ৰুদ্ৰাম্মাই তৎকালীন বিখ্যাত নগৰ মানকালত আন এটি সুদৃঢ় দুৰ্গ নিৰ্মাণ কৰিছিল। তেতিয়াৰ কালত এই মানকাল আছিল হীৰাৰ কাৰণে প্ৰসিদ্ধ। ১৫১৮ খৃষ্টাব্দত কুত্‌ব-উল্‌-মুল্‌ক্‌ ছুলতান ক্বুলিয়ে মানকালত কুত্‌ব্‌শাহী ৰাজত্বৰ প্ৰতিষ্ঠা কৰিছিল।

গোলকুণ্ডা দুৰ্গৰ উল্লেখযোগ্য বৈশিষ্ট্যসমূহ হ'ল : দুৰ্গৰ প্ৰবেশ-দ্বাৰৰ সৈতে ৪০০ ফুট উচ্চতাত অৱস্থিত দুৰ্গ-প্ৰাকাৰৰ যোগাযোগ-ব্যৱস্থা। তলত হৈ থকা যিকোনো ধৰণৰ শব্দ সেই মুহূৰ্ততে সেই সুউচ্চ ঠাইত ধ্বনিত-প্ৰতিধ্বনিত হৈছিল। দুৰ্গদ্বাৰৰ প্ৰহৰীয়ে শত্ৰুৰ আগমনৰ সামান্যতম ইংগিত পাই অতি লাহেকৈ হাত চাপৰি দিয়ামাত্ৰেই সেই হাত-চাপৰি সেই সুউচ্চ ঠাইত প্ৰতিধ্বনিত হৈছিলগৈ।

এই দুৰ্গৰ অভ্যন্তৰত পনীৰ সুচাৰু বন্দৱস্ত আছিল, আৰু বিধে'বিধ খাদ্য-শস্যেও উৎপাদিত হৈছিল আৰু এইদৰে দুৰ্গক স্বয়ংসম্পূৰ্ণ কৰা হৈছিল। শত্ৰুৱে কেতিয়াবা এই দুৰ্গ অৱৰোধ কৰা হ'লেও দুৰ্গ স্বয়ংসম্পূৰ্ণ হোৱা হেতুকে আক্ৰমণকাৰী শত্ৰু এই দুৰ্গ অধিকাৰত সদায় ব্যৰ্থ হৈছিল।



গোলকুণ্ডা দুৰ্গ
[চাৰিশ ফুট উচ্চতাত সেই বিশেষ স্থান দেখা গৈছে]

১৬৮৭ খৃষ্টাব্দত মোগল সৈন্যই এই দুর্গ অৱৰোধ কৰিছিল। এক আউসীৰ ৰাতিৰ পৰতে এজন মোগল সৈন্যই দুৰ্গৰ সুউচ্চ প্ৰাচীৰ বগাবলৈ ধৰোঁতেই এটা কুকুৰ ভুকি উঠিল আৰু তেতিয়া ছুলতানৰ সৈন্যইতে সেই মোগলসৈন্যটোক খেদি অহাত সি জথলাৰে সৈতে গড়খাৱৈত পৰিলগৈ। সেই কুকুৰটোক ৰত্নখচিত গলবন্ধা আৰু সোণৰ হাৰেৰে পুৰস্কৃত কৰা হৈছিল। এই ঘটনাৰ চাৰি মাহৰ অন্তত ছুলতানৰ এজন বিশ্বাসঘাতক বিষয়াৰ ষড়যন্ত্ৰত দুৰ্গৰ পতন হৈছিল।

মোগলইতে এই দুৰ্গৰ সম্প্ৰসাৰণ কৰি এই দুৰ্গক এক নও-খলপা দুৰ্ভেদ্য দুৰ্গৰূপে গঢ়ি তুলিছিল।

গোলকুণ্ডাৰ শাসকসলক নিজাম-উল্-মুল্ক বুলি অভিহিত কৰা হৈছিল। গোলকুণ্ডাত সুবিখ্যাত কোহ-ই-নূৰ হীৰা পোৱা গৈছিল।



দক্ষিণভাৰতৰ প্ৰাচীনতম দুৰ্গসমূহৰ অন্যতম হ'ল ত্ৰিভুজাকৃতি পাহাৰৰ ওওৰত অৱস্থিত জিঞ্জি দুৰ্গ। এই দুৰ্গ খৃষ্টপূৰ্ব তৃতীয় শতিকাৰ জিঞ্জি দুৰ্গৰ সুচিন্তিত তথা চিৰস্থায়ী জল-প্ৰবাহী উৎস-ব্যৱস্থা আৰু মৃৎ-নিৰ্মিত জলাধাৰ আৰু জল-প্ৰবাহী নলী ইত্যাদি বাস্তৱিকেই বিস্ময়জনক। এই দুৰ্গ এসময়ত মোগলসকলে একেৰাহে আঠ প্ৰায় বছৰকাল অৱৰোধ কৰি ৰাখিও একোপধ্যেই জয় কৰিব পৰা নাছিল।

বিজয়নগৰৰ ৰায়-ৰজাসকলে তেতিয়াৰকালৰ সুবিখ্যাত ইঅ'ৰোপীয় স্থপতিৰ সহায়তাৰে ভেলোৰ দুৰ্গ সাজিছিল। এই দুৰ্গৰ গড়খাৰৈত শই শই হিংস্ৰ কুম্ভীৰ ৰখা হৈছিল, আৰু এই সুদৃঢ় তথা সুনিৰ্মিত দুৰ্গৰ বাহিৰৰ ফালে দুখনকৈ প্ৰাচীৰেৰে আগুৰা আছিল।

১৮৫৭ চনৰ বহু আগতে, ১৮০৬ চনৰ জুলাই মাহত ভেলোৰত বৃটিছৰ বিৰুদ্ধে এক অতি প্ৰচণ্ড তথাহিংসাশ্ৰয়ী বিদ্ৰোহৰ সূত্ৰপাত হৈছিল। পোন্ধৰশ ভাৰতীয় চিপাহীয়ে ২৮০ জন বৃটিছক —পাছদিনা উদ্ধাৰ নকৰালৈকে— এই দুৰ্ভেদ্য দুৰ্গত বন্দী কাৰ খৈছিল।

জিঞ্জি দুৰ্গ

[ৰাণীসকলৰ কাৰণে সজা কল্যাণমহল নামৰ প্ৰাসাদ সোঁফালে দেখা গৈছে।] ৯

শ্ৰীৰংগপত্তনম্ দুৰ্গ হ'ল এটি দ্বীপ-দুৰ্গ, যি-দুৰ্গৰ তিনিওফালে কাবেৰী নৈ প্ৰবাহিত। চতুৰ্থ দিশ—দুখন সুউচ্চ আৰু স্ফটিক পাথৰেৰে খান্দি উলিউৱা বিৰাট গড়খাৰৈৰদ্বাৰা অতি সুদৃঢ়কৈ সুৰক্ষিত। আৰু এই গড়খাৰৈৰ পানীৰ হ্ৰাস আৰু বৃদ্ধি সহজেই কৰিব পৰা হৈছিল।



ବେଲ୍ଲୁର ଦୁର୍ଗ

ভেলোৰ দুৰ্গ

হায়দৰ আলী

এই নগৰখনৰ নাম নৱম শতিকাত নিৰ্মিত ৰংগনাথ মন্দিৰৰপৰা লোৱা হৈছিল। হায়দৰ আলী আৰু টিপু ছুলতানৰ কথা আমি নজনা নহওঁ। দৰিয়া দওলৎ মহল আছিল টিপু ছুলতানৰ নয়নাভিৰাম গ্ৰীষ্মাবাস। এই গ্ৰীষ্মাবাস পৰিপূৰ্ণভাবে কাষ্ঠ-নিৰ্মিত। তেওঁৰ অন্য প্ৰাসাদ—লাল মহল—:৭৯৯ চনৰ ৪ মে'ৰ যুদ্ধত বৃটিছে ধূলিসাৎ কৰিছিল। টিপুৰ সেতে বৃটিছ ৰাজশক্তিৰ ঘোৰ যুদ্ধ হৈছিল আৰু টিপুৱে ইংৰাজক ভালকৈ এসেকা দিছিল, যদিও অৱশেষত ইংৰাজৰ আধুনিক অস্ত্ৰৰ আগত বাধ্যত পৰি সেও হৈছিল। টিপুৱে যুদ্ধৰত অৱস্থাত মৃত্যুবৰণ কৰিছিল। এই দুৰ্গত সেই যুদ্ধৰ ধ্বংসৰ চিন আজিও পৰিদৃষ্ট।

© Amrita Bharati, Bharatiya Vidya Bhavan 1995

মৰণ-বিজয়ী

তেতিয়া সন্ধ্যা সমাগত। অটব্য অৰণ্যৰ কাষেদি গৈ আছিল এজন উদাসমনা বাটৰুৱা। বাটৰুৱাই আপোন মনেৰে ভাবি ভাবি গৈ আছিল, এনেতে হঠাৎ কন্দোনৰ শব্দ তেওঁৰ কাণত পৰিল, আৰু তেওঁ ইফালে-সিফালে চাই কান্দি থকা বুঢ়া মানুহ এজনক দেখা পাই তাতেই বৈ দিলে।

বাটৰুৱাই বুঢ়াক মৰমৰে সুধিলে, "কান্দি আছা কিহলৈ, মোক ক'বানে ?"

বুঢ়াই বিৰক্ত যেন হৈ ক'লে, "তাৰে তোমাৰনো কি—? তুমি মোৰ দুখ-ভগৰ গুচাব পাৰিবা জানো? মোৰ চকুলো মচিব পাৰিবা জানো কিবা উপকাৰ কৰিব পাৰিবা জানো ?"

"শুনা, হাঁহি থকাজনক কোনেও 'কিয় হাঁহিছা' বুলি নোসোধে; কিন্তু কান্দি থকাক সুধিব লাগে। এয়ে হ'ল এই জগতৰ নিয়ম।" বাটকৰাই বুঢ়াক বুজাই ক'লে।

বুঢ়াই ক'লে, "তোমাৰ বয়স—মোৰ আধাও নহ'ব কিজানি, কিন্তু কথাত—হওঁতে দেখোন মথিয়ন। জ্যোতিষী মহেশে কোৱা মতে মোৰ আয়ুস আৰু ছ-বছৰ, পিছে কিছুমান ধোদৰ পচলাই কয় যে মই আৰু হেনো মাত্ৰ কেইমাহ-মানহে জীয়াই থাকিম। মোৰ হেনো চাউল টুটি আহিছে। সেই অমঙলীয়া ঘৰটোত ভৰি দিয়াৰ পাছৰেপৰাই মোৰ এই দশা।"

"অমঙলীয়া ঘৰ ? মানে—? ক'ত ?" বাটকৰাই আগ্ৰহৰে সুধিলে। কিয়নো

মহেন মহন্ত

—সাঁজ লাগি ভাগিবৰ হ'ল, ক'ৰবাত, আশ্ৰয় ল'ব লাগিব ৰাতিটোৰ বাবে। কোনে কেনেকৈ ক'ব সেই অমঙলীয়া ঘৰতে হয়তো মোৰ মংগল হ'ব। মনতে মনে মনে ভাবিলে বাটৰুৱাই।

বুঢ়াই ক'লে, "আৰু অল'মান গ'লেই গছ-বনৰ মাজত অমঙলীয়া ঘৰটো দেখা পাবা।" এই বুলি কৈয়েই বুঢ়াই আকৌ হুৰাস্তুৰাৱে কান্দি উঠিল আৰু কান্দি কান্দি তাৰপৰা গুচি গ'ল।

ৰহস্যময় বুঢ়াৰ কথা মতে বাটৰুৱা কিছুদূৰলৈ আগুৱাই গ'ল আৰু থেপা-থেপিকৈ থকা গছ- বনৰ মাজত ঘৰ এটা সঁচাসঁচিকৈ দেখা পালে। এইটোৱেই যে সেই অমঙলীয়া ঘৰ—সেই কথাত বাটৰুৱা নিশ্চিন্ত হ'ল। কিন্তু 'হওক অমঙলীয়া তাথপি ইয়াতে ৰ'ম' বুলি খাটাং কৰিলে বাটৰুৱাই। তেওঁ ঘৰৰ দুৱাৰত লাহেকৈ টুকুৰিয়ালে।

এজন কুঁজা বাওনাই ক'লে, "কিয় নোৱাৰিব? বাটৰুৱাহঁতৰ কাৰণেই ইয়াত —এই অটব্য অৰণ্যত ঘৰটো সজা হৈছে।—আহক, সোমাই আহক।"

ঘৰটোৰ ভিতৰত কেইবাটাও চাকি জ্বলি আছিল, কিন্তু সেইবোৰ চাকি তেলৰ চাকি নাছিল, আছিল অতি ডাঙৰ ডাঙৰ মণি, আৰু তাৰেপৰাই দিনৰ সুৰুযহেন পোহৰ ওলাইছিল।

বাটৰুৱাই আচৰিত মানি কৈ উঠিল : "অতি বিচিত্ৰ কাণ্ড! মই সাৰে আছোঁনে সপোন দেখিছোঁ — ক'ব পৰা নাই একোয়েই ঠাৰৰ কৰিব পৰা নাই।"

"জীৱনো হ'ল হক বিচিত্ৰ বিষয়, ডাঙৰীয়া।" কুঁজাই কৈ উঠিল, "ইয়াত যিমান দিন মন যায় থাকক, আৰাম কৰক; কিন্তু আমাৰ লগত একদম কথা নাপাতক আৰু—সৌ তাত এটা কোঠা—যিটো কোঠাত আছে সোণৰদুৱাৰ —সেইটো কোঠা একোপধ্যেই নোখোলক। এই কথাৰ যদি কৰিছে আন—জীয়াই থকাত পাব টান।"

এটা বিৰাট কোঠাত বাটৰুৱাৰ থকা-মেলাৰ বন্দবস্ত কৰা হ'ল। কোঠাটো অতি মনোৰম, অতি ধুনীয়া। সেই বুঢ়াই যে কিয় এই ঘৰটোক কিয় অমঙলীয়া ঘৰ বুলি কৈছিল—বাটৰুৱাই ঠাৰৰ কৰিব নোৱাৰিলে।

ৰাতি পুৱাল। বাটৰুৱাৰ কাৰণে স্নানাহাৰৰ বঢ়িয়া বন্দবস্ত কৰা হ'ল। আৰু ৰাতিপুৱা তাত আৰু কেইবাজনো কুঁজা বাওনাক অতিপাত কৰ্মব্যস্ত অৱস্থাত দেখা গ'ল।

সেইদিনা এই ঘৰটোৰ ষোল্লটা কোঠা বাটৰুৱাই ঘূৰি-পকি চাইছিল; কিন্তু—খুলিবলৈ নিষেধ কৰা সেই সোণৰ দুৱাৰ থকা কোঠাটো অন্ততঃপক্ষে এবাৰটো

হলেও খুলি চাবৰ--অদমনীয় ইচ্ছা হ'ল সেই আগন্তুক বাটকৰাৰ।

যি হয় হওকেই—খুলি চাৱৈইচোন বাৰু। এই কথা ভাবি বাটকৰাই সেই সোণৰ দুৱাৰত লাহেকৈ ঠেলি চালে। আৰু লগে লগে দুৱাৰখন খোল খাই পৰি বাটকৰাৰ দুচকুত জলক-তবক লগাই দিলে। এই অনিৰ্বচনীয় সুন্দৰ কক্ষটোকে 'স্বৰ্গ' বুলি ক'ব পাৰিনে? বাটকৰাই তৰধ মানি ভাবিলে।

এই কক্ষটোৰ দেৱালবোৰ আছিল সোণৰ, আৰু হীৰা-মণিৰে বন কৰা। আৰু বিভিন্ন ধৰণৰ বিভিন্ন বৰণৰ মুকুতা-মৰকত যে ক'ত কিমান আছে—তাৰ কোনো লেখ-জোখ নাই।

বাটকৰাই যেতিয়া বিস্ময়ত বোবা হৈ ভেবা লাগি এইবোৰ চাই আছিল, ঠিক তেতিয়াই ক'ৰবাৰপৰা কাউৰী এটাই উৰি আহি তেওঁৰ মূৰৰ সোঁমাজত তাৰ ঠোঁটেৰে খুচি দি গুচি গ'ল।

আৰু লগে লগে উঠিল এক কৰ্ণভেদী ধ্বনি। সেই ধ্বনিয়ে ক'লে: মূৰ্খ বাটকৰা, ঠিক বিছ বছৰৰ অন্তত এইদিন এইসময়ত তোমাৰ মৃত্যুক্ষণ!"

এই কথা শুনি কিন্তু বাটকৰা ভীত নহ'ল, বৰঞ্চ আনন্দিতহে হ'ল। বাটকৰা নিজৰ কোঠালৈ আহিল। তাত তেতিয়া পাঁচজন কুঁজা বাওনাই পৰস্পৰৰ লগত ফুচফুচাই কিবাকিবি মাতি আছিল।

বাটকৰাক সোমাই অহা দেখা পাই এটা কুঁজাই বাটকৰাক সুধিলে, "তোমাৰ মৃত্যুৰ দিন-ক্ষণ তুমি জানিছানে নাই? যদি জানিছা—নাকান্দি হাঁহিছা কেলেই? অতি অদ্ভুত কথা!"

"কিয় কান্দিম? নিজৰ মৃত্যুৰ দিন-ক্ষণ জানি মই অতি আনন্দিত।" বাটকৰাই কুঁজাবিলাকক ক'লে।

"দীৰ্ঘকালৰ অন্তত তোমাৰ দৰে মানুহ এজনক আমি লগ পালোঁ। তোমাৰ কথা

আমাৰ চৰ্দাৰক আমি ক'মগৈ। এতিয়াৰ-পৰা—এই অমঙলীয়া গৃহৰ আৰু কোনো আৱশ্যক নহ'ব বুলি বোধ হৈছে।" এই বুলি কৈ সেই কুঁজা বাওনা তাৰপৰা নোহোৱা হৈ গ'ল আৰু তাত থকা আন চাৰিটা কুঁজা বাওনাও মুহূৰ্ততে অদৃশ্য হ'ল।

আৰু পাছ মুহূৰ্ততে সেই 'অমঙলীয়া ঘৰ'ও তাৰপৰা ভোজবাজীৰ দৰে নোহোৱা হৈ পৰিল। আৰু বাটৰুৱাই নিজক গছ-গছনিৰ তলত বৈ থকা দেখা পালে।

সকলো কথা-কাণ্ড চাই বাটৰুৱাৰ মনত আনন্দৰ জোৱাৰ উঠিল! তেওঁ ভাবি থাকিল : নিজৰ মৃত্যু দিন-ক্ষণ জনাটো বহুতৰ পক্ষেই বলিয়া হোৱাৰ নিচিনা কথা। কিন্তু মোৰ দৰে আনন্দিত বোধ কৰা মানুহ হয়তো—কৌটিতে গুটি।

এই বাটৰুৱাজন আছিল এজন গাঁৱলীয়া বেমাৰী মানুহ। তেওঁৰ আছিল কলিজাৰ বেমাৰ। যিসকল বেজ-বৈদ্য আৰু জ্যোতিষীয়ে তেওঁক পৰীক্ষা-নিৰীক্ষা কৰিছিল, সকলোটিয়েই কৈছিল যে তেওঁ ছমাহতকৈ অধিক দিন জীয়াই থাকিব নোৱাৰে। সেই কাৰণে তেওঁ ঘৰ-দুৱাৰ আত্মীয়-পৰিজন এৰি ওলাই আহিছিল, আৰু য'লৈকে চকু যায়—গৈ আছিল। তেওঁ যেতিয়া এই অমঙলীয়া ঘৰলৈ আহিল, আৰু তাত যেতিয়া ঘটনাচক্ৰত জানিলে যে তেওঁ আৰু বিহু বছৰলৈ জীয়াই থাকিব — তেতিয়া ছমহীয়া আয়ুসীয়া বাটৰুৱাই হাতত স্বৰ্গখনকে ঢুকি পোৱাদি পাইছিল বাবেহে দুঃখিত-বিষাদিত হোৱাৰ সলনি আনন্দিত হৈছিল। এই ঘটনাই তেওঁক দুঃখিত-শোকাৰ্ত কৰক ছাৰি—তেওঁৰ আত্মবলহে বৃদ্ধি কৰিছিল।

বাটৰুৱাই সেই কুঁজা বাওনাইতক সুঁৱৰিলে আৰু সিহঁতলৈ তেওঁৰ অপাৰ কৃতজ্ঞতা জ্ঞাপন কৰি মৰণবিজয়ী বাটৰুৱাই স্বগ্ৰামলৈ বুলি খোজ ল'লে।



সঠিক পৰামৰ্শ

মহেন ৰান্ধনি মানুহ হিচাপে ভালেই, কিন্তু উগ্ৰ প্ৰকৃতিৰ। সেইতে, ভাল ৰান্ধনি হোৱা সত্বেও তাক বৰ লেঠাত নপৰিলে কোনেও ৰান্ধনৰ কামত নামাতে। মহেনৰ দেউতাকো ৰান্ধনি মানুহ, কিন্তু বৰ পাকৈত নহয়; পিছে—স্বভাৱত নম্ৰ হোৱাহেতুকেহে সকলোটিয়ে মাতে।

এইখন গাঁৱৰে চহকী খেতিক ভুৱনদত্তক তেওঁৰ পাৰিবাৰিক অনুষ্ঠানৰ বাবে ৰান্ধনি মানুহ এজন লগা হ'ল। তেতিয়া, দুৰ্ভাগ্যক্ৰমে, মহেনৰ দেউতাক অসুস্থ! গতিকে—একপ্ৰকাৰে বাধ্যত পৰিয়েই মহেনকে লৈ আহা হ'ল ৰান্ধনৰ বাবে।

ৰান্ধনীঘৰত ভৰি দিয়াৰেপৰাই মহেন ৰান্ধনীয়ে ইটো লাগে-সিটো লাগে, ই নাই-সি নাইৰ নাইত হাত দিয়েই থাকিল। তাৰ সকলো কথাতে অভিযোগ। বস্তু -বাহানিবোৰৰ গেলা, খৰিবোৰ জেকা, বাচন-বৰ্তন কম—আৰু যে কত কি। মহেনৰ স্বভাৱ ভুৱনদত্তই ভালেকৈয়েই জানিছিল, গতিকে এইবোৰ শুনিও নুশুনাৰ দৰে হৈ আছিল।

কিন্তু ৰান্ধি থাকোঁতে এদিন যেতিয়া ইকথা-সিকথাৰ লগতে মহেনে ভুৱনদত্তক কিৰ্পিণ বুলি ক'লে, তেতিয়া তেওঁ মহেনক ক'লে, "মহেন, তোমাৰ দেউতাৰাই যিধৰণে যি আনিবলৈ ফৰ্দ কৰি দিছিল, সেই মতেই বস্তু-সমগ্ৰী লৈ আহিছোঁ। তোমাক যদি আৰু কিবাকিবি লাগে কোৱাঁ, তথাপি এনেবোৰ নোকোৱা।"

"মোৰ দেউতাৰপৰ পৰামৰ্শ লোৱাতে আপোনাৰ কিৰ্পিণালি ওলাই পৰিছে।

সঞ্চিতা শইকীয়া

ৰান্ধিম মই—পৰামৰ্শ যোগাব আনে! বাঃ! দেউতাইনো মোৰ ৰান্ধনৰ কি জানিব? মোৰ ৰান্ধন খাই খাওঁতাই কি কয়-কি নকয়—চবেই জানে। আপুনিহে কি জানি নাজানে-নামানে।" মোহনে মকমকালে।

ভুৱনদত্তই ক'লে, "চোৱাঁ, বোপা, তোমাক যি লাগে-যা লাগে কোৱাঁ; কিন্তু এইদৰে অবাবতে চিল্লাই নাথাকাঁ।"

"এয়ে মোৰ স্বভাৱ। আপুনি যদি ভাল পোৱা নাই—কওক, গুচি যাম।"

ভুৱনদত্তই ভালুকৰ হাতত খন্তা দিয়াৰ পৰিণামৰ কথা ভাবি চুপচাপ থাকিল। মহেনেও আৰু একো নক'লে। কামখিনি ঠিকে ঠাকে কৰি দিলে।

কিছুদিনৰ অন্তত মহেনৰ দেউতাক মৰিল। তেতিয়া মহেন বিমোৰত পৰিল, কিয়নো—দেউতাকৰ গুণত তেও তাক ৰাইজে ইকামত-সিকামত মাতিছিল; কিন্তু এতিয়া আৰু তাক প্ৰায় কেৰেই নমতা হ'ল।

এইহেন পৰিস্থিতিত মহেন এদিন ভুৱনদত্তৰ কাষ চাপিল, আৰু তেওঁক ক'লে, "ডাঙৰীয়া, আপোনাক ৰান্ধনি-মানুহ লাগে বুলি অক-তাৰ পৰ শুনি আপোনাৰ ওচৰলৈ আহিলোঁ।"

ভুৱনদত্তই ক'লে, "হওঁতে—শুনিছা যি—ঠিকেই শুনিছা। ঘৰিণী অসুস্থ হৈ পৰিল, গতিকে—লাগে এজন ৰান্ধনি-মানুহ। পিছে—বেছি দিনৰ কাৰণে নহয়, আৰু মই বৰ বেছি দৰমহাও দিব নোৱাৰিম। তুমি বৰঞ্চ গাঁৱৰ জমিদাৰৰ ওচৰলৈ যোৱা, তেওঁকো ৰান্ধনি মানুহ লাগিব, আৰু তেওঁ জোখে-জোখাৰে পইচা-পাতিও দিব পাৰিব।"

"কিন্তু জমিদাৰ ডাঙৰীয়াই—আমাৰ দোষ-জগৰ একেবাৰে সহ্য নকৰে, আৰু তেওঁ—শাস্তি-শলাও দিয়ে বুলি শুনিছোঁ।" মোহনে ভুকু কোঁচাই ক'লে।

"দোষ-জগৰ নকৰিলেই হ'ল।"

"কথা হ'ল—মই হ'লো ফটা মুখৰ মানুহ। কিন্তু জমিদাৰ ডাঙৰীয়াই সেইবোৰ নসহিব।" ভুৱনদত্তৰ কথাৰ উত্তৰত মহেনে ক'লে।

ক্ষন্তেকমান মৌন হৈ থকাৰ পাছত ভুৱনদত্তই মহেনক ক'লে, "কিন্তু জমিদাৰ ডাঙৰীয়া মানুহজন ভাল। তেওঁ ধনী-দুখীয়াৰ মাজত কোনো প্ৰভেদ-পাৰ্থক্য নকৰে। আৰু তুমি জানাই — ময়ো —কি বোলেনে —এজন অতি স্পষ্টবাদী মানুহ। কিবা কথাত বেয়া পালে ময়ো কাকো শুদাই নেৰোঁ।"

মহেনে আচৰিত মানি ক'লে, আপুনি? কি যে কয়—! সিদিনা— সেই যে অনুষ্ঠানৰ দিনা—মোৰ কিমান যে বেয়া বেয়া কথা আপুনি হজম কৰিছিল—বেয়া আচৰণবোৰ সহিছিল!"

"তেতিয়া— তোমাৰদ্বাৰা কামখিনি কৰৰোটো আছিল মোৰ সবিশেষ প্ৰয়োজন, সকলো সহিছিলোঁ, এতিয়া তোমাৰ প্ৰয়োজনত তুমি সহিব পৰা যদি —মোৰ কামত ধৰা, নহ'লে আন কোনোবা ঠাইত কাম বিচাৰি লোৱাগৈ। এতিয়া মই তোমাৰ উগ্ৰতাক আৰু মানি নলওঁ।" ভুৱনদত্তই কৈ দিলে।

তেতিয়া মহেনে হাত যোৰ কৰি ভুৱনদত্তক ক'লে, "মহাশয়, আজি আপুনি মোক যি জ্ঞান দিলে—সেই জ্ঞানেই মোৰ ভৱিষ্যতৰ সমল হওক। ইমানদিন ধৰি মই যেনেকৈ অহংকাৰ প্ৰকাশ কৰিছিলোঁ, সেই অহংকাৰ যে কিমান অন্যায় আছিল, আজিহে বুজিলোঁ। আপোনাৰ ওচৰত কামনাপালেও--আপোনাৰ সঠিক পৰামৰ্শৰ বাবে মই আপোনাৰ ওচৰত ওৰে জীৱনলৈ কৃতজ্ঞ হৈ থাকিলোঁ।"

পাছত, নিজক পৰিৱৰ্তিত কৰি ৰান্ধনি মানুহ হিচাপে মহেন যথেষ্ট সুনামৰ অধিকাৰী হৈছিল।



মহাভাৰত

১৬

বিদুৰৰ প্ৰস্থানৰ অন্তত দুৰ্য্যোধন তেওঁৰ তেওঁৰ পিতৃৰ কাষ চাপিল আওঁ কৈ থাকিল: "পিতাশ্ৰী, বিদুৰ সদায় বজ্ৰলেপৰ দৰে আপোনাৰ লগত থকা কাৰণে অনেক আৱশ্যকীয় কথাও সময়মতে ক'ব নোৱৰা হওঁ। বিদুৰ আচলতে হ'ল পাণ্ডৱপক্ষীয়, পাণ্ডৱৰ প্ৰশংসাত তেওঁ পঞ্চমুখ; আৰু আমাক লাগে পাণ্ডৱৰ পতন বা মৰণ।"

ধৃতৰাষ্ট্ৰই দুৰ্য্যোধনক ক'লে, "পুত্ৰ, এই কথাত তোমাৰ আৰু মোৰো অভিপ্ৰায় — একেই। বিদুৰে পাণ্ডৱক প্ৰশংসে আৰু মই মৌন হৈ শুনো, ঠিক যেন—কণাই পুথি পঢ়া কলাই শুনা অৱস্থা। পাণ্ডৱৰ বিৰুদ্ধে মই যে কিবা ক'ম—তাৰো তো উপায় নেদেখোঁ। এই বিষয়ে তুমি আৰু কৰ্ণই মিলি যি সিদ্ধান্ত ল'বা' সেই সিদ্ধান্ত মোৰো সিদ্ধান্ত হ'ব বুলি জানিবা।"

দুৰ্য্যোধনে দ্ৰুপদ ৰজাৰ মন পাণ্ডৱ প্ৰতি বিষাক্ত কৰাৰ আঁচনি ল'লে আৰু লগতে কোনোবা এজনী বিশ্বস্ত লিগিৰী-ৰ দ্বাৰাই দ্ৰৌপদীকো পাণ্ডৱহঁতৰ বিৰুদ্ধে বিষাক্ত কৰি তুলিবলৈ যো-জা কৰিলে, আৰু পাণ্ডৱসকলক হস্তিথাপুৰলৈ লৈ যোৱাৰ পৰিকল্পনা পাঙিলে।

কৰ্ণই দুৰ্য্যোধনৰ কুটিল আঁচনিবোৰৰ কথা মনপুতি শুনি আছিল। দুৰ্য্যোধনে



কৰ্ণ আৰু ধৃতৰাষ্ট্ৰক পুনৰ ক'লে, "পাণ্ডৱ-হঁতৰ মাজত প্ৰকৃত পৰাক্ৰমী হ'ল—ভীম। তাক মই যেনেকৈয়েই নহওক হত্যা কৰোৱাম। ভীম আৰু অৰ্জুন হ'ল অগ্নি আৰু বায়ুৰৎ। এই দুয়ো যেতিয়া একেলগ হয়, তেতিয়া প্ৰলয় সৃষ্টি কৰিব পাৰে। কিন্তু ভীমক যদি আঁচনি মতে বধ কৰিব কৰিব পৰা যায়—তেতিয়া আমি ভূঁই-কঁপত মূলা তুলিব পাৰিম। অৰ্জুন আমাৰ কৰ্ণৰ তুলনাত নগণ্য। মই বাজি মাৰি ক'ব পাৰোঁ যে—ভীমক নোহোৱা কৰিব পাৰিলেই পাণ্ডৱে পদাপাল দেখিব, আৰু আমাৰ ভৃত্য হোৱাৰ বাহিৰে সিহঁতৰ আন কোনো উপায় নাথাকিব।"

তেতিয়া কৰ্ণই দুৰ্য্যোধনক ক'লে, তোমাৰ এইবোৰ আঁচনিয়ে কোনো ফল নিদিব, পাণ্ডৱৰ কোনো হানি নহ'ব। আৰু—ৰজা দ্ৰুপদে তোমালোকক শুদাই এৰিব বুলি ভাবিছানে? তোমাৰ এইবোৰ চতুৰ আঁচনি সমূলি ব্যৰ্থ হ'ব বুলি মোৰ ধাৰণা, আগতেও তোমাৰ আঁচনিবোৰ যেনেকৈ ব্যৰ্থ হৈছিল, এইবোৰ ফলাফল তেনেকুৱাহে হ'বগৈ যেন পাইছোঁ। পাণ্ডৱক ইমান মূৰ্খ বুলি ভাবিলে আমি আমাৰ মূৰ্খতাহে প্ৰকাশ কৰিম। বৰ্তমান পৰিস্থিতিত—একমাত্ৰ উপায় হ'ল যুদ্ধ।"

ধৃতৰাষ্ট্ৰই ক'লে, "কৰ্ণৰ কথা সমুচিত যেনেই পাইছোঁ। এই বিষয়ে ভীষ্ম দ্ৰোণ আৰু বিদুৰৰো মতামত—জানিব লাগে।"

ভীষ্ম, দ্ৰোণ আৰু বিদুৰলৈ বাৰ্তা প্ৰেৰণ কৰা হ'ল আৰু বাৰ্তা পায়েই তেওঁলোক উপস্থিত হ'লহি।

ভীষ্মই ধৃতৰাষ্ট্ৰক ক'লে, "মোৰ দৃষ্টিত কৌৰৱ-পাণ্ডৱ অভিন্ন। ৰাজ্যৰ অৰ্দ্ধাংশ পাণ্ডৱসকলে পাওক—মোৰ ইচ্ছা এয়ে। আৰু এই কাৰ্য্যৰ অন্যথা হ'লে জগতত আপোনাৰ অপযশ-অপকীৰ্তি বিয়পি পৰিব। দুৰ্য্যোধন, তুমি পাণ্ডৱৰ বিৰুদ্ধে ঢেৰ ষড়যন্ত্ৰ কৰিলা। তেওঁলোকৰ সৈতে

তোমাৰ আচৰণ অতি নিকৃষ্ট স্তৰৰ। কিন্তু তথাপি তুমি তেওঁলোকৰ অনিষ্ট কৰিব নোৱাৰিলা। জতুগৃহত পাণ্ডৱৰ মৃত্যু-সম্বাদ শুনি মই তোমাৰ মুখলৈ চাবলৈকো ঘৃণা বোধ কৰিছিলোঁ। পিছে — তেওঁলোক জীৱিত হৈ থকাত তুমি স্থায়ী ঘৃণাৰপৰা মুক্ত হ'ল। আগলৈ তেওঁলোকৰ সৈতে সৎ আচৰণ কৰি সুখী হোৱা।"

তাৰ পাছত দ্ৰোণই কৈ থাকিল: "ভীষ্মৰ বক্তব্য মোৰো বক্তব্য। পাণ্ডৱ-সকলক মতাই অনাই অৰ্দ্ধৰাজ্য প্ৰদান কৰা হওক, আৰু দ্ৰুপদ, ধৃষ্টদ্যুম্ন, কুন্তীদেৱ পাণ্ডৱপক্ষ আৰু দ্ৰৌপদীলৈকো উপহাৰাদি প্ৰেৰণ কৰি হস্তিনাপুৰলৈ যাবলৈ নিমন্ত্ৰণ কৰা হওক। এই বিষয় ৰজা দ্ৰুপদৰপৰাও সন্মতি প্ৰাৰ্থনা কৰা আৱশ্যক।"

কৰ্ণ-ই কৈ উঠিল, "এই দুই প্ৰৌঢ়ই সদায় শত্ৰুকহে শলাগে। এওঁলোকৰ মতামতলৈ সিমান মন-কাণ দিয়াৰ প্ৰয়োজন নাই।"

তেতিয়া বিদুৰে ক'লে, "হে ৰাজন্! আমি আপোনাসৱৰ মংগলহে বিচাৰোঁ। ভীষ্ম আৰু দ্ৰোণই যিখিনি ক'লে, এই কথাত কোনো পক্ষপাতিতা নাই। যিসকলে কেৱল মুখৰ মেহাৰেৰে মন মুহিব—সিসকলৰপৰা আঁতৰি থাকিলেহে



মংগল হ'ব—এই সতৰ্কবাণী উচ্চাৰণ নকৰোঁ যদি—মোকো পাপে স্পৰ্শ কৰিব। হে মহাৰাজ, মিঠা মিঠা ডাল-পাত জোৰা লগোৱা কথাৰে আপোনাৰ পুত্ৰসৱৰ মংগলৰ সলনি অমংগলহে হ'ব। পাণ্ডৱসকলক যুদ্ধত পৰাজিত কৰাটো বৰ সহজ কাম নহয়, কিয়নো—তেওঁলোকে কৃষ্ণৰপৰা সহায়তা লভিব। হস্তিনাপুৰৰ জনসাধাৰণ পাণ্ডৱসকলক সেখাৰ বাবে উদগ্ৰীৱ হৈ আছে। শুভ ইচ্ছাৰে যি কাম যেনেকৈ হয়, অশুভ ইচ্ছাজনিত অস্ত্ৰৰ হুংকাৰেৰে সেই কাম সাধিব নোৱাৰি। সেইহে—পাণ্ডৱসকলক ইয়ালৈ নিমন্ত্ৰণ কৰি আনি

তেওঁলোকক প্ৰসন্ন কৰক।”

ধৃতৰাষ্ট্ৰ কিছু সময়লৈ মৌন হৈ থাকিল আৰু তাৰ পাছত ক’লে, “ভীষ্ম, দ্ৰোণ—আপোনালোকৰ কথাতে কৌৰৱৰ হিত নিহিত—এই কথাত মোৰ অণুমাত্ৰ সন্দেহ নাই, আৰু—মোৰ দৃষ্টিত পাণ্ডৱ-কৌৰৱত কোনো ভেদ নাই। বিদুৰ, তুমি তালৈ গৈ পাণ্ডৱসকলক, আৰু লগতে কুন্তী-কৃষ্ণাকো ইয়ালৈ লৈ আহিবা। ভাগ্যবশতঃ পাণ্ডৱসকল জতুগৃহত মৃত্যুৰপৰা ৰেহাই পালে। সেইহে দ্ৰুপদৰ পুত্ৰীয়ে পাণ্ডৱক পালে, এই ঘটনা তেওঁলোকৰ পক্ষেও সৌভাগ্যসূচক। এতিয়া মই সকলো কথাত নিশ্চিন্ত।”

অসংখ্য ৰত্ন-আভৰণ, পট্টবস্ত্ৰ আৰু অন্যান্য উপহাৰ লগত লৈ বিদুৰ কাম্পিল্য নগৰলৈ গ’ল আৰু বিদুৰে পৰিপূৰ্ণ ৰাজসভাত ৰজা দ্ৰুপদক সম্বোধি ক’লে, “মহাৰাজ! আপোনাৰ সৈতে পাণ্ডৱ-সকলৰ মিত্ৰতাৰ বাবে ধৃতৰাষ্ট্ৰ আৰু ভীষ্ম মহা গৌৰৱান্বিত আৰু আনন্দিত, আপোনালোকৰ কুশল-মংগল জ্ঞাত হ’বৰ বাবে তেওঁলোকে মোক আপোনাৰ সমীপলৈ প্ৰেৰণ কৰিলে। আপোনাৰ বন্ধু দ্ৰোণই মোৰ যোগেদি আপোনালৈ আলিংগন প্ৰেৰণ কৰিলে। আপোনাৰ পুত্ৰী যে পাণ্ডৱসকলৰ আত্মাৰ আত্মীয় হ’ল, তাৰ বাবে তেওঁ আনন্দ জ্ঞাপন কৰিছে। পাণ্ডৱসকলক হস্তিনাপুৰত পুনৰ দেখাৰ বাবে কৌৰৱসকল অধীৰ আগ্ৰহৰে অপেক্ষমান। তেওঁলোকক—লগতে কুন্তী-দ্ৰৌপদীকো হস্তিনাপুৰলৈ লৈ যাবলৈ মহাৰাজ ধৃতৰাষ্ট্ৰই মোক আজ্ঞা প্ৰদানিলে। এতিয়া—আপুনি অনুমতি প্ৰদানিলেহে মই তেওঁলোকক যথাযোগ্য ভাবে লৈ যাব পাৰিম।”

মহাৰাজ দ্ৰুপদে বিদুৰক ক’লে, “কৌৰৱ সকলৰ মিত্ৰতা আমাৰো কাম্য, আৰু মহাৰাজ ধৃতৰাষ্ট্ৰৰ আজ্ঞা আমাৰো

শিৰোধাৰ্য্য। আৰু আপোনাৰ দৰে সূক্ষ্ম-গ্ৰাহীয়ে স্বয়ং তেওঁলোকক লৈ যাবলৈ আহিছে যিস্থলত—মইনো 'নহয়' বুলি ক'ব পাৰোঁনে? কিন্তু এই বিষয়ে কৃষ্ণ-বলৰামৰ মতামত কি—তাকো জানিব লাগে, কিয়নো, ইমান কাল ধৰি তেওঁলোকেই পাণ্ডৱসকলৰ হিত সাধি আহিছে। অধিকন্তু—প্ৰজ্ঞ ধৰ্মপৰায়ণ তথা শক্তিমান পাণ্ডৱসকলৰ মতামতো একান্ত আৱশ্যক বুলি মোৰ অনুমান।"

ধৰ্মৰাজ যুধিষ্ঠিৰে কৈ উঠিল, "মহাৰাজ, আমি সম্যহতে আপোনাৰ অধীন। চিন্তা-চৰ্চা কৰি আপুনি আমাক যি ক'ব তাকে কৰাটোহে হ'ব আমাৰ ধৰ্ম।"

কৃষ্ণই সভাসদ সকললৈ ক'লে, "বিদুৰৰ ইচ্ছা অনুসাৰে পাণ্ডৱসকলকে হস্তিনা-পুৰলৈ যোৱাত অনুচিত একো দেখা নাই। কিন্তু এই বিষয়ে পাণ্ডৱ-বন্ধু মহাৰাজ দ্ৰুপদৰ অভিপ্ৰায় কি—মই জানিবলৈ বিচাৰোঁ।"

মহাৰাজ দ্ৰুপদে ক'লে, "আমি সম্যহতেহে পাণ্ডৱসকলৰ মিত্ৰতা লাভ কৰিলোঁ। কিন্তু তেওঁলোক বাল্যকালৰে-পৰাই আপোনাৰ আদৰ পাই আহিছে। এতেকে—আপোনাৰ যি অভিপ্ৰায়, আমাৰো সেই একেই।"

দ্ৰুপদৰজাৰ অনুমতি পাই—বিদুৰে পাণ্ডৱসকলক আৰু ৰজা দ্ৰুপদকো হস্তিনাপুৰলৈ লৈ যাবলৈ ওলাল। আৰু তেওঁলোকৰ লগে লগে কৃষ্ণ-বলৰামো গৈ থাকিল।

বিদুৰে পঠোৱা দূত এজনে ধৃতৰাষ্ট্ৰক এই সম্বাদ দিলেগৈ। তুষ্ট ধৃতৰাষ্ট্ৰ পাণ্ডৱ-সকললৈ আদৰণি জানোৱাৰ বাবে বিকৰ্ণ চিত্ৰসেন, দ্ৰোণ আৰু কৃপাচাৰ্য্যক অনতি-পলমে প্ৰেৰণ কৰিলে।

সুশোভিত হস্তিনাপুৰত পাণ্ডৱসকল পদাৰ্পণ কৰাৰ লগে লগে জনতা আনন্দ-উদ্বেল হৈ উঠিল আৰু জনতাৰ আশীৰ্বাদ


Sankar

মস্তকত লৈ তেওঁলোক ৰাজভৱনলৈ বুলি আগবাঢ়িল। তেওঁলোকে ধৃতৰাষ্ট্ৰ আৰু ভীষ্মৰ পাদস্পৰ্শ কৰি তেওঁলোকৰপৰা আশীৰ্বাদ গ্ৰহণ কৰিলে।

কিছুদিন গত হোৱাৰ অন্তত এদিন মহাৰাজ ধৃতৰাষ্ট্ৰই পাণ্ডৱসকলক আৰু কৃষ্ণকো মতাই অনালে আৰু ক'লে, "পুত্ৰসকল, তোমালোকৰ সৈতে কৌৰৱৰ শত্ৰুতা বৃদ্ধি হওক—এয়া আমাৰ কাম্য নহয়। মই তোমালোকক অৰ্দ্ধৰাজ্য প্ৰদান কৰিছোঁ। তোমালোকে আজিৰে-পৰাই খাণ্ডৱপ্ৰস্থত স্থিৰ হৈ সুখেৰে তোমালোকৰ ৰাজ্য-শাসন কৰিব পাৰা।"

ধৃতৰাষ্ট্ৰৰ প্ৰস্তাৱত ধৰ্মৰাজ যুধিষ্ঠিৰে 'হয়' কৰিলে আৰু তেতিয়া সকলোটিয়েই একে একে মহাৰাজ ধৃতৰাষ্ট্ৰক সাষ্টাংগে প্ৰণাম কৰিলে।

তাৰ পাছত—ভ্ৰাতৃবৰ্গক, আৰু মাতৃ কুন্তী, পত্নী, কৃষ্ণ-বলৰামকো লগত লৈ ধৰ্মৰাজ যুধিষ্ঠিৰে খাণ্ডৱপ্ৰস্থ পালেগৈ।

খাণ্ডৱপ্ৰস্থ আছিল এক গভীৰ ভয়ংকৰ অৰণ্যাঞ্চল। কিন্তু কৃষ্ণই আগতেই ইন্দ্ৰ-দেৱতাক সুঁৱৰিছিল আৰু দেৱৰাজ ইন্দ্ৰই বিশ্বকৰ্মাক তালৈ প্ৰেৰণ কৰিছিল।

বিশ্বকৰ্মাই সেই গভীৰ বন সমন্বিত অঞ্চলত এক সুৰম্য-সুগম্য নগৰ সাজি দিলে। সেই নগৰৰ চতুৰ্দিশ ওখ ওখ প্ৰাচীৰেৰে আগুৰা, প্ৰচীৰৰ বাহিৰফাল গড়খাৱৈ-বেষ্টিত, আৰু নগৰৰ সকলো বাট-পথ অট্টালিকা অতুলনীয় সুষমামণ্ডিত আছিল। নগৰখনৰ গৰুড়াকাৰ সিংহদ্বাৰ, দেৱালয়, উদ্যানযন আদিৰে নগৰখন অতুলন ঐশ্বৰ্য্যময়তাৰ এক অতি প্ৰকৃষ্ট উদাহৰণ আছিল।

এইখন নগৰৰ নাম ইন্দ্ৰপ্ৰস্থ। এই ইন্দ্ৰপ্ৰস্থত সুস্থিতৰূপে শসনকাৰ্য্যৰ পাতনি তৰাৰ অন্তত পাণ্ডৱসকলৰপৰা বিদায় লৈ কৃষ্ণ দ্বাৰকালৈ উভতি গ'ল। [আগলৈ



ভাগ্যৰ খেলা

ৰাজধানী অমৰপুৰীৰ গলিয়েদি গৈ আছিল এজন বুঢ়া মানুহ, মানুহজনৰ হাতত এটা ডাঙৰ সজা, আৰু সজাত আছিল টিঁয়া চৰাই, আৰু বুঢ়াই কৈ আছিল: "টিঁয়া টিঁয়া টিঁয়া—মাত-বোল কৰিবপৰা, হিয়াত মৰম মৰম লগা টিঁয়া—যি শুনে তাকে কয়, এটাৰ দাম পাঁচমুদ্ৰাতকৈ কম নহয়—কিন্তু কিনাৰ পাছত ঘূৰাই লোৱা নহয়—মোৰ সজাত টিঁয়াৰ মেলা—লওকহি দিল্-খোলা—সকলো ভাগ্যৰ খেলা—আ—আ!"

কিছুমানে মাতিব-বুলিবপৰা টিঁয়া কিনিলে। কিনিলে বীৰবাহাদুৰেও। কিনি ঘৰলৈ লৈ গ'ল। খাবলৈ দিলে ভাল ভাল ফল-ডাইল কত কি। টিঁয়াই সকলো বস্তু সুন্দৰকৈ খালে, কিন্তু মাত-বোল একেবাৰেই নকৰিলে। তেতিয়া বীৰবাহাদুৰে ভাবিলে: নতুন ঠাইলৈ আহিছে—মাত বোল কৰোঁতে অলপ সময় ল'বই ই।

কিন্তু দুই চাৰি পাঁচ সাত দিন গ'ল যেতিয়া—তেতিয়াহে বীৰবাহাদুৰে বুজিলে যে এই টিঁয়াই আন যিহেই নকৰক—মাত-বোল নকৰে।

বীৰবাহাদুৰৰ উঠিল খং, আৰু টিকটিকীয়া খঙৰ কোবত—

বীৰবাহাদুৰে টিঁয়াটো সেই বেচোঁতা বুঢ়াৰ ওচৰলৈ লৈ গ'ল, আৰু বিৰক্তিৰে সৈতে টিঁয়াৰ টিকা নোপোৱাৰ কথাখিনি কোৱাত বেচোঁতা বুঢ়াই বীৰবাহাদুৰক ক'লে, "মহাশয়, বেচাৰ আগতেই জানি লৈছিল যে—বেচা-টিঁয়া ঘূৰাই লোৱা ন'হব। আপোনাৰ কথাখিনি শুনি মোৰ সন্দেহ হৈছে যে—এই টিঁয়াটো কিজানি—কলা। কিন্তুক আপোনাসবে জানেই—সকলো ভাগ্যয খেলা!"

চয়তানৰ বিৰিখ ?

অতীতৰ দিনত, সৰু সৰু ল'ৰা-ছোৱালীহঁতক ফলি হিচাপে এবিধ গছৰ পাত দিয়া হৈছিল। এই গছৰ বা গছৰ পাতৰ উদ্ভিদবিজ্ঞানীয় নাম হ'ল 'আলস্ট'নিয়া স্ক'লৰিজ' (Alstonia Scholaris) —অৰ্থাৎ এই বৃক্ষ বিদ্যাশিক্ষাৰ সৈতে জড়িত যে—আৰু তাৰ প্ৰমাণ এই নামটোতে পৰিলক্ষিত। কিন্তু তথাপি এই বৃক্ষক ইংৰাজিত 'ডেভিলছ ট্ৰি' (Devil's Tree) বুলি কিয় যে কোৱা হয়—ভাবিলে আচৰিত মানিব লাগে। এই বৃক্ষক হিন্দী ভাষাত 'চিটিন', মাৰাঠীত 'শ্বৈতান', ওড়িয়াত 'ছাতিনান', আৰু বাংলাত 'ছাতিম' বুলি কয়। মালয়ালম ভাষাত কিন্তু এই বৃক্ষৰ নামটি যথেষ্ট মৰ্যাদাপূৰ্ণ—'পালা', তামিলত 'পলাই' আৰু তেলুগুত 'পবুলছি' (পলছদানহ). কন্নড় ভাষাত—'মাদ্দালে'। এই বৃক্ষৰ সংস্কৃত নাম হ'ল—'সপ্তপৰ্ণ'। এইবৃক্ষৰ ২০ ছেনটি-মিটাৰ দীঘল দলিচাৰ দৰে কোমল ডাঠ সেউজীয়া বৰণৰ গধুৰ পাতবোৰ প্ৰতি থোপাত প্ৰায় ৪—১০ টালৈকে থাকে।

এই চিৰ-সেউজ বৃক্ষ ২৫ মিটাৰলৈকে ওখ হয়। ফুলবোৰ অতি সৰু সৰু, বগা-সেউজীয়া বৰণৰ। ফুলবোৰৰপৰা মচলাৰ দৰে গোন্ধ ওলায়। এই বৃক্ষৰ ফলবোৰ ৩০—৬০ ছেনটিমিটাৰ দীঘল, এযোৰ এযোৰকৈ ওলমি থাকে।

যিবোৰ ঠাই জেকা, সেইবোৰত গোটেই বছৰ জুৰিয়েই এই গছ পৰিলক্ষিত হয়। এই বৃক্ষৰ কাঠেৰে সুন্দৰ সুন্দৰ আচবাব বনোৱা হয়। এই বৃক্ষৰ কাঠেৰে পেন্সিল, জুইশলা আদিও নিৰ্মিত হয়।

ভাৰতৰ কোনো কোনো ঠাইত এই বৃক্ষক অপদেৱতাৰ আবাস বুলি ভবা হয়। মহাৰাষ্ট্ৰৰ পশ্চিমঘাট পৰ্বতমালাৰ কিছুমান উপজাতীয় মানুহে এই বৃক্ষৰ আনকি তলেদিও নাযায়।

ভাৰতৰ ঋষিকুল—৭

দধিচী

দধিচী হ'ল আমাৰ চতুৰ্থ বেদ—অথৰ্ব বেদ-প্ৰণেতা মহাঋষি অথৰ্বনৰ বংশধৰ। দধিচীয়ে তেওঁৰ যুৱা বয়সত কঠোৰ তপশ্চৰ্য্যাত নিজক নিযুক্ত ৰাখিছিল। তেওঁৰ তপস্যা ইমান গভীৰ আছিল যে—সেই কঠোৰ তপস্যাৰে তেওঁৰ দেহৰ হাড়বিলাকো পবিত্ৰ হৈছিল।

দেৱৰাজ ইন্দ্ৰই দধিচীক বহু ধৰণৰ প্ৰাকৃতিক গুপ্তবিদ্যা শিকাইছিল; কিন্তু ইন্দ্ৰৰ চৰ্ত আছিল যে—দধিচীয়ে এইবোৰ গুপ্তবিদ্যা কাকো শিকাব নোৱাৰিব। কিন্তু অশ্বিনীকুমাৰ ভ্ৰাতৃদ্বয়ে—দুগৰাকী দেৱ-চিকিৎসকে টানি ধৰাত দধিচীয়ে এই দুগৰাকীক গুপ্তবিদ্যাৰ সন্ধেদ দিছিল।

এই কথা জানি ইন্দ্ৰ দধিচীৰ ওচৰলৈ লৰি আহিল আৰু চৰ্ত ভংগ কৰাৰ হেতুকে দধিচীৰ শিৰশ্চেদ কৰিবলৈ স্থিৰ কৰিছিল। ইন্দ্ৰৰ অভিপ্ৰায়ৰ কথা জানি, অশ্বিনীকুমাৰ ভ্ৰাতৃদ্বয়ে—ইন্দ্ৰই একো কৰিবলৈ নৌপাওঁতেই দধিচীৰ শিৰশ্চেদ কৰিলে, আৰু দধিচীৰ দ্বিখণ্ডিত মস্তকৰ ঠাইত এটা অশ্বৰ মস্তক লগাই দিলে। তাৰ পাছত—ইন্দ্ৰ যেতিয়া কুমলি আহিল, তেতিয়া পুনৰ দধিচীৰ নিজৰ মস্তক তেওঁৰ দেহত লগাই দিলে।

দানৱৰ সৈতে দেৱতাৰ দীৰ্ঘকালীন যুদ্ধ-কালত — একোপধ্যে দানৱহঁতক পৰাজিত কৰিব নোৱৰাত দেৱতাসকলে আলোচনা কৰি সাব্যস্ত কৰিলে যে একমাত্ৰ দধিচীৰ হাড়েৰে নিৰ্মিত অস্ত্ৰৰেহে দনৱহঁতক পৰাজিত কৰিব পৰা যাব। কথাটো দধিচীৰ কৰ্ণগোচৰ হোৱামাত্ৰেই দধিচীয়ে দয়া-নৈৰ তীৰত তপস্যাত বহি দেহত্যাগ কৰিলে আৰু তেতিয়া দধিচীৰ হাড়েৰে অস্ত্ৰ সাজি দেৱতাসকলে দানৱ-হঁতক পৰাজিত কৰিব পাৰিলে। এইদৰে, দধিচীৰ আত্মত্যাগ সৰ্বকালৰ এক অনন্য সাধাৰণ-অতুলন উদাহৰণ হৈ থাকিল।



জানিবলগীয়া

১. গুৰু নানকৰ শিষ্য এগৰাকীয়ে তেওঁৰ গীতৰ সৈতে 'ৰবাব' নামৰ বাদ্যযন্ত্ৰ বজাইছিল। সেই শিষ্যগৰাকীৰ নাম কি আছিল?

২. ভাৰতৰ এখন বিশেষ নৈ বিভিন্ন নামেৰে জনাজাত। কোনখন নৈ? নাম কি কি?

৩. কোন খেলাত বিজয়ীসকল পিছুৱাই যায় আৰু পৰাজিতই আগবাঢ়ি আহে?

৪. শ্বাস-প্ৰশ্বাসৰ গড় কিমানবাৰ?

৫. দক্ষিণভাৰতৰ প্ৰস্তৰ-খোদিত একমাত্ৰ জৈন-মন্দিৰ ক'ত অৱস্থিত?

৬. পাৰস্যদেশৰ প্ৰতিষ্ঠাতা কোন?

৭. ভাৰতৰ পুৰাণত থকা গোৰোহাত তীৰ বিদ্ধি মৃত্যু হোৱাজন কোন আছিল?

৮. আমেৰিকাৰ 'জাতীয় চৰাই'ৰ নাম কি?

৯. বিন্ধ্যপৰ্বতৰ দক্ষিণফালৰ সৰ্বোচ্চ চূড়াৰ নাম কি?

১০. পুথি-ভঁৰালৰ প্ৰথম পৰিকল্পক গ্ৰিক মানুহগৰাকীৰ নাম কি?

১১. 'উড়ন্ত সৰ্প' নামকৰণ কিয় কৰা হ'ল?

১২. পৃথিৱীৰ দীৰ্ঘতম ৰেল-আলি কি আৰু ক'ত?

১৩. চাৰিখন সাগৰৰ নামত বৰণৰো উল্লেখ আছে। কি কি?

জানক

১. আফঘান-চৰ্দাৰৰ মুছলিম ভৃত্য 'মৰ্দানা'। চৰ্দাৰৰ মৃত্যুৰ অন্তত মৰ্দানাই নানকৰ শিষ্যত্ব গ্ৰহণ কৰিছিল।

২. ব্ৰহ্মপুত্ৰ। বিভিন্ন নাম হ'ল : তিব্বতত ৎছাং পো, দিহং ; অৰুণাচলত জিয়ং বা ছিয়াং ; বাংলাদেশত 'মেঘনা'।

৩. জুডো।

৪. ১৫—১৮ বাৰ, দৈহিক শ্ৰমত তাৰতম্য হয়।

৫. ছিতলানভাছাল,পুড়ুকোট্টাই,তামিলনাড়ু। ১৪০০ বছৰৰ আগতে পল্লৱৰাজ প্ৰথম মহেন্দ্ৰবৰ্মনদেৱে সাজি উলিয়াইছিল।

৬. চাইৰাছ দি গ্ৰেট (৫০০—৪০০ খৃঃ পূঃ)।

৭. মহাপ্ৰভু কৃষ্ণ।

৮. টকলা-মুৰীয়া ঈগল চৰাই।

৯. ২৭০০ মিটাৰ উচ্চ আনাইমুদি বা অ্যালিফ্যাণ্ট-শৃংগ। কেৰালাত।

১০. ইউৰিপিদে (৪৮০—৪০৬ খৃঃ পূঃ)।

১১. এইবিধ সাপে নিজৰ শৰীৰ ফুলাই ইগছৰপৰা সিগছলৈ উৰি যাব পাৰে।

১২. ট্ৰান্স-ছাইবেৰিয়ান ৰেল-আলি, মস্কোৰপৰা ভ্লাডিভস্তকলৈ—৫৮৬৪ মাইল।

১৩. শ্বেত সাগৰ, কৃষ্ণসাগৰ,ৰেড-চি,পীত সাগৰ।

বিশ্বাস

বিজয়ৰত্ন আছিল এগৰাকী খ্যাতিমান বৈদ্যশাস্ত্রী কবিৰাজ। ৰাইজে কয়: বিজয়দেউৰ চিকিৎসাত জাদু আছে। কথাটো হয়ও, বিজয়ৰত্নদেউৰ চিকিৎসাৰে যমৰ দুৱাৰলৈ গতি লোৱায়ো ঘূৰি আহে আৰু পুনৰ জীৱনৰ আনন্দ উপভোগ কৰে।

মণিধৰ আছিল বিজয়ৰত্নদেউৰ শিষ্য। মনিধৰে সদায় ভাবিছিল: কেতিয়া, আৰু কেনেকৈনো গুৰুৰ দৰে যহ-খিয়াতি পাম, কেতিয়াবাৰপৰানো তেওঁৰ দৰে বেমাৰীক বেজালীত ধৰিম?

এবাৰ এই অঞ্চলত এক নতুন ধৰণৰ বেমাৰে মূৰ দাঙিলে। এই বেমাৰৰ লা-লক্ষণ আন বিশেষ নাই; কেৱল বেমাৰী চাওঁতে চাওঁতে খীণাই হাড়ে-ছালে লগা হয়, আৰু বৰ বেছি বিছ-পঁচিছ দিনতে ঢুকায়। ৰাইজে চাই-চিঁতি এই বেমাৰৰ নাম দিলে—'খীণাল'।

কিন্তু বিজয়ৰত্নহেন চিকিৎসকৰপৰাও এই 'খীণাল' বেমাৰৰ দৰব পোৱা নাযায়। তেওঁ নিজেও এই বেমাৰৰ বিষয়ে বিভ্রান্ত। যি কি নহওক—এই 'খীণাল' বেমাৰে যেতিয়া মাউৰৰ ৰূপ ল'লে—তেতিয়া তেওঁ একেৰাহে পাঁচ দিন ধৰি আয়ুর্বেদ-শাস্ত্র চলথ কৰি চালে, আৰু তাৰ পাছত মণিধৰক হাবিৰপৰা কিছুমান লতা-পাত শিপা-ছাল ইত্যাদি তৎক্ষণাৎ লৈ আহিবলৈ ক'লে।

মণিধৰে অতি আগ্রহৰে সকলো বস্তু গোটাই আনিলে আৰু গুৰুৰ নির্দেশমতে তাৰে দৰবো তৈয়াৰ কৰিলে। পিছে—দৰব তৈয়াৰ কৰোঁতে—মণিধৰে কিছুখিনি

দৰব নিজৰ মতে তৈয়াৰ কৰিলে, আৰু পাছত গুৰুৰপৰা বাহ্‌, বাহ্‌ পোৱাৰ আশাৰে সেই দৰবেই গুৰুক দিলে, কিন্তু এই বিষয়ে গুৰুক একো নক'লে।

আৰু তাৰ পাছত এদিন মণিধৰে ভাবিলে: খীণাল-ব্যাধিৰ দৰব যিস্থলত ময়েই বনালোঁ, মই খীণাল-বেমাৰীক চিকিৎসাওবা নকৰিম কিয়?

কথাটো—মণিধৰে কওঁ-নকওঁকৈ বহু সময় ধৰি হেঁহো-নেহো কৰাৰ অন্তত—কৈয়েই পেলালে গুৰুক।

কিন্তু গুৰু বিজয়ৰত্নদেৱে মূৰ জোকাৰি ক'লে, "শুনা, চিকিৎসাৰ সূত্ৰ জনা, আৰু বাস্তৱত চিকিৎসা কৰাটো পৃথক কথা। আৰু অন্ততঃপক্ষে তিনি বছৰমান ধৈৰ্য্য ধৰি শিক্ষা কৰা, তাৰ পাছত তোমাক এই অনুমতি দিয়া যাব। তুমি দৰবৰ কথা জানিলা বুলিয়েই যে বেমাৰীসকলক ঠিকমতে চিকিৎসা কৰিব পাৰিবা—তাৰ কোনো নিশ্চয়তা নাই।"

মণিধৰ মনে মনে থাকিল। তাৰ পাছত লাহেকৈ ক'লে, "এতিয়া খীণাল বেমাৰ সকলোতে বিয়পি পৰিছে, গতিকে—মোৰ চিকিৎসা আৰম্ভ কৰাৰ বাবে এয়েহে প্ৰশস্ত তথা প্ৰকৃষ্ট সময়। মোক দয়া কৰি আপুনি অনুমতি দিয়ক।"

তেতিয়া কোমলমনা বিজয়ৰত্নদেৱে ক'লে, "ঠিক আছে, চুবুৰীয়া গাঁৱত চিকিৎসা কৰা তেন্তে। এই দৰবেৰেই চিকিৎসা কৰিবা। শুনা, বেমাৰীক এই সঁচা কথাটো ক'বা যে—এই দৰব খালে প্ৰথম দিন পেটৰ ভিতৰত উমি উমি জ্বলি থাকিব, আৰু যদি জ্বলে—তেনেহ'লে পাছদিনা অন্য দৰব দিয়া হ'ব, কিন্তু আচলতে—পাছ দিনাও একেই দৰব দি থাকিবা। এইদৰে—প্ৰতিদিনেই অন্য দৰব দিয়াৰ ভাও জুৰিবা, কিন্তু সেই একেই দৰব খুৱাই থাকিবা। এইদৰে পোন্ধৰ দিনমানৰ চিকিৎসাৰ পাছত



বেমাৰীয়ে ভাল পাব। পিছে— সেই কেইদিন বেমাৰীক নানান পটলে ইকথা-সিকথা কৈ চম্ভালি থাকিবা।"

পাছদিনা চুবুৰীয়া গাঁৱলৈ যোৱাৰ আগতে মণিধৰে তাৰ নিজাকৈ বনোৱা বড়ি গুৰুৰ কাৰণে থৈ গ'ল, নিজে গুৰুৰ কথামতে বনোৱা আচল বড়ি লৈ গ'ল।

মণিধৰে ভাবিলে : গুৰুৱে মোৰ নিজাকৈ বনোৱা বড়িৰে চিকিৎসা কৰিব, আৰু তেওঁৰ বদনাম হ'ব ; কিন্তু মোৰ নাম-যছ খুব হ'ব, কিয়নো গুৰুৱে কোৱা আচল বড়ি মইহে ল'লোঁ।

কিন্তু— অজান বেমাৰৰ বেমাৰীবোৰে এই অজান চিকিৎসকৰ ওচৰলৈ সিমান নহা হ'ল। মাত্ৰ দুজন বেমাৰী আহিল মণিধৰৰ ওচৰলৈ। আৰু—মণিধৰে দিয়া দৰবখিনি খাই সিহঁতৰ পেটৰ ভিতৰত অতিপাত পোৰণি উঠিল।

মণিধৰ বেমাৰীৰ ঘৰলৈ গ'ল। সি বেমাৰীক ক'লে যে ভয় কৰিব নালাগে, দহদিনৰ ভিতৰত সকলো ঠিক হৈ যাব, যদি দহদিনতে ঠিক নহয়, মই বেজালি এৰি দিম—ইত্যাদি।

বেমাৰীয়ে 'হয়' 'হয়' বুলি মূৰ দুপিয়ালে, কিন্তু পাছত সেই বেমাৰীয়ে মূৰ পোলোকাহে দিলে।

ইপিনে—তিমানতে বিজয়ৰত্নদেৱে যে এই 'খীণাল' বেমাৰৰ চিকিৎসা আৰম্ভ কৰিছে, সেই কথা দহোখন গাঁৱত লোকৰ মুখে মুখে প্ৰচাৰ হ'ল আৰু দলে দলে 'খীণাল' বেমাৰীহঁত তেওঁৰ ওচৰলৈ আহি থকা হ'ল। তেতিয়া মণিধৰে ভাবি থাকিল : গুৰু এইবাৰ কলত পৰিল, তেওঁৰ দৰবৰ জাদু গুচিল।

কিন্তু কথা দেখোন বিপৰীতহে হ'ল। বিজয়ৰত্নদেউয়ে তিনি-চাৰি দিনতেই 'খীণাল' বেমাৰীক ভাল কৰিবলৈ ধৰিলে।

আৰু— মণিধৰে তেতিয়ালৈকো— ক'বলৈ গ'লে প্ৰকৃতপক্ষে বেমাৰীয়েই

নোপালে চিকিৎসা কৰিবলৈ !

কথা যে কি হ'ল—ক'ৰপৰা কি হ'লগৈ মণিধৰে তাৰ তলা-নলা নাপাই—চুবুৰীয়া গাঁৱত বেমাৰী পোৱাৰ আশা এৰি গুৰু বিজয়ৰত্নদেৱৰ চিকিৎসালয়লৈকে গ'ল। তেতিয়া তাত বেমাৰীৰ আৰু বেমাৰীৰ লগৰ মানুহ-মুনিহৰ খদমদম। মণিধৰ অবাক আৰু অসন্তুষ্টও হ'ল। বিজয়ৰত্নদেৱে তাৰ এবাৰ কথা শুনাৰ সময়ো নাপালে। তাৰ পাছত—সকলো বেমাৰী যেতিয়া গ'লগৈ—তেতিয়া মণিধৰে গুৰুক ক'লে, আপুনি মোৰ লগত বৰ অন্যায় কাম কৰিলে, গুৰুদেৱ!"

বিজয়ৰত্নদেৱে আচৰিত মানি সুধিলে, "মই—তোমাৰ লগত—অন্যায় কৰিলোঁ! কি অন্যায়—?"

"মোক আপুনি কৈছিল যে—খীণাল বেমাৰীক দহ দিন দৰব খুৱাব লাগিব, আৰু আপুনি দেখোন তিনি-চাৰি দিনতে খীণাল বেমাৰীইঁতক ভাল কৰি তুলিছে।" মণিধৰে মকমকালে।

বিজয়ৰত্নদেৱে ক'লে, "তুমিয়েই দেখোন দৰব—বড়িবোৰ তৈয়াৰ কৰিছিলা। সেইবোৰেই দেখোন দিছোঁ বেমাৰীইঁতক। তোমাক তো মই একো লুকুৱা নাছিলোঁ।"

গুৰুৰ কথা শুনি মণিধৰ কিছু শেঁতা পৰিল। তাৰ মানে—গুৰুৱে বনাবলৈ কোৱা বড়িতকৈ সি নিজাকৈ বনোৱা বড়িবোৰ—ঢেৰ ভাল!

তেতিয়া মণিধৰে নকল দৰবৰ আচল কথাখিনি গুৰু বিজয়ৰত্নদেৱক ভাঙি-পাতিয়েই ক'লে।

মণিধৰে পুনৰ ক'লে, "গুৰুদেৱ, মই আগলৈ নিজেই নানান দৰব তৈয়াৰ কৰিম। মোৰ দৰবৰ আগত আপোনাৰ দৰব যে নিকৃষ্ট—সেই কথাৰ প্ৰমাণ পালেই। গতিকে—আপুনিও এতিয়াৰপৰা মোৰ দৰবেই ব্যৱহাৰ কৰক আৰু

মোৰ শ্ৰেষ্ঠত্বক মানি লওক, আৰু লগতে —মোৰ দৰৱ ব্যৱহাৰ কৰাৰ বাবে মোক আৰ্জনৰ আধাখিনিকৈ দি থাকক।"

বিজয়ৰত্নদেৱে কৈ উঠিল, "হাৰে মূৰ্খ! তুমি মোক নোকোৱাকৈ থীণাল বেমাৰৰ দৰৱ তৈয়াৰ কৰি যে কিমান অপৰাধ কৰিলা — সেই কথা বুজাৰ শকতিও তোমাত নাই। তুমি মোৰ ওচৰলৈ আৰু নাহিবা. গুচি যোৱা।"

মণিধৰে ক'লে, "কিন্তু মোৰ দৰৱৰ গুণ আপুনি নিজেই দেখি আছে নহয়—? নহ'লে থীণালবেমাৰ তিনিদিনতে ভাল কৰিব পাৰিলেহেঁতেননে?"

বিজয়ৰত্নদেৱে ক'লে, "তোমাৰ তৈয়াৰী সেই দৰৱ বেমাৰীহঁতক দিয়াহেঁতেন বেমাৰীহঁত সেই দৰৱ খাই মৰিলহেঁতেন। মই অন্য দৰৱেৰেহে থীণাল বেমাৰীহঁতক সুস্থ কৰি তুলিছোঁ।

এই কথাত মণিধৰে তাৰ সন্দেহ প্ৰকাশ কৰাত বিজয়ৰত্নদেৱে তাক ক'লে, "বেমাৰীৰ বেমাৰ কেৱল দৰৱেৰেই দূৰ নহয়। কেতিয়াবা কেতিয়াবা মনৰ বিশ্বাসে বিস্ময়কৰ ফল দৰ্শায়—বেমাৰী-হঁতৰ ক্ষেত্ৰত। মোৰ ওপৰত বেমাৰীহঁতৰ পৰিপূৰ্ণ বিশ্বাস আছে যে মই সিহঁতক ভাল কৰি তুলিমেই। সেই বিশ্বাসেৰেহে সিহঁত ভালো হৈ আছে. ভাল হ'ব ধৰিছে। আৰু তুমি আধা-কেঁচেলুৱাই বেমাৰীহঁতৰ জীৱন লৈ জুৱাহে খেলিছা। তুমি চিকিৎসক নামৰ অযোগ্য। যেনেতেনে পইচা আৰু লগতে যশ-খিয়াতি আৰ্জিম—এনেবোৰ লুভীয়াই—আন যিয়েই নহওক—চিকিৎসক হ'ব নোৱাৰে। তুমি চিকিৎসাৰ কাম এৰি অন্য কামত ধৰা।"

গুৰুৰ কথা শুনি মণিধৰৰ জ্ঞানোদয় হ'ল আৰু তলমূৰ হৈ টালি-টোপোলা লৈ সেইদিনাই তাৰপৰা গুচি গ'ল।



তান্ত্ৰিকৰ দ্বীপত

সাগৰপৰীয়া গাঁও এখনত হৰতন নামৰ যুৱক এজন অকলেই বসবাস কৰিছিল। হৰতন আছিল মাউৰা, আৰু মনৰ দুখীয়া নহ'লেও ধনৰ দুখীয়া। তাৰ মনৰ ইচ্ছা— সি এজন ডাঙৰ বণিজাৰ হ'ব, জান-অজান ঠাইলৈ, সাগৰৰ বুকুত ভাহি ভাহি সাগৰৰ বুকত থকা সৰু-বৰ দ্বীপবোৰলৈ যাব, আৰু কত কি যে লৈ যাব আৰু লৈ আহিব তাৰপৰা··· ।

কিছুদিনৰ পাছত সুযোগ এটা মিলিল। বেপেৰুৱা জাহাজ এখন—অৰ্থাৎ অতি ডাঙৰ নাও এখনত উঠি বিদেশলৈ বুলি ওলাল—কিন্তু কিছুদিনৰ পাছত সেই নাও ধুমুহাত ডুবিল, আৰু অন্যান্য নাবিকৰ লগত হৰতনো সাগৰৰ বুকুত উটি-ভাহি গৈ থাকিল। সাগ ৰ বৰ বৰ ঢৌৱে হৰতনক এটা দ্বীপৰ পাৰত লৈ গ'ল আৰু এইদৰে হৰতন সাগৰৰ পানীত ডুবি মৰাৰপৰা কথমপি ৰক্ষা পৰি এটা অজান দ্বীপত ভৰি দিলে।

এই দ্বীপ নিমাও-মাও। ক'তো-কেনিও মানুহ-দুনুহ, আনকি জন্তু-জানোৱাৰো হৰতনৰ চকুত নপৰিল, পিছে ডাঙৰ ডাঙৰ গছ-গছনি ঢেৰ, বিশেষকৈ নাৰিকল গছ। এই দ্বীপত তাৰ আটাইতকৈ অসুবিধা হ'ল—কি খাব। ভাবি ভাবি অৱশেষত সি নাৰিকলকে খাব বুলি ভাবি নাৰিকল এজোপাত উঠিলগৈ।

আৰু নাৰিকলজোপাত উঠিয়েই এক অদ্ভুত দৃশ্য তাৰ চকুত পৰিল।

এটা বনৰীয়া গাহৰি আকাশেদি উৰি উৰি এই দ্বীপলৈ আহিব ধৰিছে!

‘পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী’

ডোখৰ বেচি মই মোৰ ধনৰ অভাৱ দূৰ কৰিব পাৰিম।

এইবোৰ কথা ভাবি থকাতে গাহৰিটোৱে সাঁৰ পাই গ'ল, আৰু গাহৰিটোৱে তাক মাৰি পেলাব বুলি ভাবি হৰতনে কষ্টকৈ হ'লেও—পুনৰ ওখ তকৈয়ো ওখ নাৰিকলজোপাতে উঠিবগৈ বুলি ভবা হ'ল।

আৰু ভবাৰ লগে লগেই সি-ও সেই উড়ন্ত গাহৰিটোৰ দৰে উৰি উৰি নাৰিকল-জোপাৰ মূধ পোৱা হ'ল আৰু এইদৰে হীৰাডোখৰত থকা মহিমাৰ কথা হৰতনে জানিব পৰা হ'ল।

এইবাৰ হৰতন নাৰিকলজোপাৰ মূধৰপৰা তললৈ নামি আহিল আৰু এচটা ডাঙৰ শিলেৰে সেই বনৰীয়া গাহৰিৰূপী তান্ত্ৰিকক মাৰি পেলালে। হীৰাডোখৰ তান্ত্ৰিকৰ হাতত নথকাত যে তান্ত্ৰিকক সি মাৰিব পৰা হ'ল—সেই কথাত হৰতন নিশ্চিন্ত। হৰতনে বুজি পালে: হীৰা যাৰ, মহিমা তাৰ। আৰু — এতিয়া হীৰাডোখৰ তাৰ।

আৰু তাৰ পাছত হীৰাৰ সহায়ত হৰতনে উৰি উৰি সেই দ্বীপৰ ক'ত কি আছে—চাবলৈ ধৰিলে।

কিছু দূৰত এঠাইৰপৰা গুলুমবন্ধা

গাহৰিবো ডেউকা থাকে নে? গাহৰিয়ে কেনেকৈনো উৰিব পাৰে? আৰু যদি ডেউকা নাই—তেনেহ'লেনো কিমতে উৰিছে?

গাহৰিটো যেতিয়া আকাশৰপৰা তললৈ নামিল, তেতিয়া সাহস গোটাই হৰতন গাহৰিটোৰ কাষ চাপিল। গাহৰিটো তেতিয়া টোপনিত লাল-কাল। গাহৰিটোৰ কাষত পৰি আছিল এডোখৰ ডাঙৰ হীৰা। হৰতনে সেই হীৰাডোখৰ হাতত ল'লে আৰু ভাবিলে: এই হীৰা-ডোখৰতে নিশ্চয় কিবা নহয় কিবা মহিমা আছে। নহ'লেও—ইমান ডাঙৰ হীৰা-

ধোৱাঁ ওলোৱা দেখা পাই হৰতন তালৈকে গ'ল আৰু তাত পেঙুৱা মানুহ এজনক দেখা পাই তাক সুধিলে, "মোক খাবলৈ কিবা খোৱাবস্তু আৰু থাকিবলৈ অলপ ঠাই লাগে। তুমি বাৰু মোক খাব-থাকিব দিব পাৰিবনে ?"

"মোৰ ওচৰত যি আছে, আধাখিনি তুমি খোৱা।" এই বুলি কৈ সেই পেঙুৱাই হৰতনক ছাগলীৰ মঙহ কিখিনি দিলে আৰু সুধিলে, "তুমিনো কেনেকৈ এই দ্বীপ পালাহি ?"

হৰতনে তাৰ পুৰা কাহিনী তাক ক'লে। তেতিয়া সেই পেঙুৱাই হৰতনক ক'লে, "মই খোজ কাঢ়িবলৈ বৰ টান পাওঁ। তুমি যদি মোক মহিমা থকা হীৰাডোখৰ দিয়া, ময়ো তোমাক এই মহিমা থকা কুঠাৰখন দিম। এই কুঠাৰেৰে তুমি যি মন যায় কাটি ছোৱা ছোৱা কৰিব পাৰিবা, কেৱল কুঠাৰৰ ওপৰত হাত থৈ ক'লেই হ'ল, আনকি ভাবিলেও সেই কাম সুকলমে হৈ যাব।"

"ঠিক আছে, লোৱা হীৰা, দিয়া কুঠাৰ।" এই বুলি কৈ, হৰতনে হীৰাডোখৰ পেঙুৱাক দিলে আৰু তাৰপৰা কুঠাৰখন লয়েই কুঠাৰৰ ওপৰত হাত থৈ কুঠাৰক হুকুম কৰিলে সেই পেঙুৱাৰূপী তান্ত্ৰিকৰ

মূৰ দুছোৱা কৰিবলৈ।

আৰু লগে লগে কুঠাৰে পেঙুৱা-তান্ত্ৰিকক ঘপিয়াই কাটি দুছোৱা কৰিলে।

তেতিয়া হৰতনে কুঠাৰো পালে, হীৰাও পালে। এইবাৰ সি গৈ গৈ এঠাইত বিৰাট এক জোপা-জুপলিৰ মাজত হাত নথকা মানুহ এজনক বহি থকা দেখা পালে।

মানুহজনৰ কাষত আছিল, এটা বিশেষ ধৰণৰ ডাঙৰ কলহ। হাত নথকা মানুহজনে হৰতনক দেখা পাই যেনিবা ভয়হে খালে, আৰু সেই কলহত থকা পানীখিনি মাটিত পেলাই দিলে। লগে

লগে তাত ঢলনি-পানী ঢৌৱাই আহিল।

এই ঢলনি-পানীতে হৰতন ডুবি মৰিল-হেঁতেন, কিন্তু মহিমা থকা হীৰাডোখৰেহে তাক ৰক্ষা কৰিলে. হৰতনে আকাশলৈ উৰা মাৰি ঢলনি-পানীৰ ঢৌৰপৰা কথথপি সাবিৰ পাৰিলে।

তেতিয়া সেই হাত নথকাই কৈ উঠিল, "বঢ়িয়া! বঢ়িয়া মন্ত্ৰৰ মান্ত্ৰিক!"

হৰতনে হীৰাডোখৰ দেখুৱাই ক'লে, "তোমাৰ আছে মহিমা-কলহ, মোৰ এই হীৰা; সেইহে মই এতিয়াও খাৰা।"

হাত নথকাই হৰতনক ক'লে; "মোৰ এই মহিমা-কলহটো লোৱা আৰু হীৰাডোখৰ মোক দিয়া। এই মহিমা-কলহৰপৰা কেৱল ঢলনি-পানীয়েই নহয়, যি লাগে তাকে পাবা, সুখতে খাবা চাবা, আৰু লাগিলে — যেইকোনো দেশক পানীৰে বুৰাব পাৰিবা।"

হৰতনে হীৰাডোখৰ তাক দিলে আৰু মহিমা-কলহটো ল'লে আৰু পাছ মুহূৰ্ততে কুঠাৰক হুকুম কৰিলে হাত নথকাক ছুছোৱা কৰিবলৈ। আৰু কুঠাৰে চকুৰ পচাৰতে হৰতনৰ হুকুম মানি হাত নথকাক মুণ্ড নথকা কৰি পেলালে।

এতিয়া হৰতন তিনি-মহিমাৰ মালিক হ'ল, হীৰা-কুঠাৰ-কলহ। তাৰ পাছত সি সেই নিৰ্জন দ্বীপত টহলি থাকিল। আৰু গধূলিৰ আগে আগে সি এডোখৰ অটব্য অৰণ্যৰ কাষলৈ আহিল আৰু তাত এক বিচিত্ৰ ধ্বনি তাৰ কাণত পৰিল, এই ধ্বনি আছিল হাত-চাপৰিৰ ধ্বনি।

অলপ পাছত সেই হাত-চাপৰিৰ ধ্বনি বন্ধ হ'ল আৰু ইফালে-সিফালে চাই— এজোপা বিৰাট গছৰ ডালত বিৰাটদেহী ৰাক্ষস এটাক বহি থকা দেখা পালে। ৰাক্ষসটোৰ কাষত আছিল এটা ঢোল।

হৰতনক দেখা পায়েই ৰাক্ষসটোৱে চিঞৰি চিঞৰি কৈ থাকিল, "আহাঁ— আহাঁ, যি লাগে যিমান লাগে খোৱাহি

—হে হে হে—হেঃ !"

হৰতনে ভাবিলে : ই ৰাক্ষসে নিশ্চয় মানুহৰ মঙহহে খাবলৈ দিব। গতিকে সি ৰাক্ষসটোক ক'লে, "মই নিৰামুহী, নিৰামহী খাওঁ, মঙহ নেখাওঁ।" এই বুলি কৈ, হৰতনে কলহটোৰপৰা নিৰামহী খাদ্য লৈ খাই থাকিল।

তেতিয়া ৰাক্ষসটোৱে ক'লে, "হে হে— এই কলহটো মোক দিয়া, আৰু এই ঢোলটো লোৱা, এই ঢোলৰ এইফালে বজোৱামাত্ৰেই যেইকোনো প্ৰাণী থৰ-কাছুটি হেৰুৱাই পলাব, আৰু সেইফালে বজাই দিয়ামাত্ৰেই হাজাৰ-বিজাৰ সৈন্য অস্ত্ৰেৰে সৈতে ওলাই আহিব। ল'বানে ঢোলটো? দিবানে কলহ?"

কলহটো ৰাক্ষসক দি ঢোলটো তাৰপৰা লৈ ল'লে হৰতনে। তাৰ পাছত কুঠাৰৰ সহায়ত ৰাক্ষসটোকো কাটি পেলালে।

তাৰ পাছত হৰতনে সেই মহিমা থকা হীৰা, কুঠাৰ, কলহ আৰু ঢোল—লগত লৈ গৈ গৈ এক অজান ৰাজ্য পালেগৈ। সেই দেশৰ ৰজা আছিল এক অত্যাচাৰী ৰজা। ৰজাৰ অত্যাচাৰত প্ৰজা অতিষ্ঠ হৈ উঠিছিল। ৰাজ্যৰ চাৰিওফালে অত্যাচাৰী নিষ্ঠুৰ-নিৰ্মম ৰজাৰ অত্যাচাৰ-উৎপীড়নত হাহাকাৰ ধ্বনি শুনা গৈছিল।

সকলো অৱস্থাৰ বেখ কৰি হৰতনে তাৰ সেই মহিমা থকা ঢোলটোৰ সিপিঠিত চাপৰ মাৰি দিয়াৰ লগে লগেই হাজাৰ-বিজাৰ সৈন্য ওলাই অত্যাচাৰী ৰজাৰ সৈন্যহঁতক কচুকটা দিলে আৰু ৰজাকো হৰতন যেতিয়া সেই ৰাজ্যৰ ৰজা হৈ সিংহাসনত বহি দিলে, তেতিয়া সেই বধিলে আৰু তাৰ পাছত—সৈন্যহঁত পুনৰ মহিমা-টোলৰ ভিতৰতে সোমাই গ'ল।

এইদৰে, সেই তান্ত্ৰিকৰ অজান দ্বীপৰপৰা বুদ্ধিৰে সকলো বস্তু লৈ আহি দুখীয়া হৰতন এখন ৰাজ্যৰ ৰজা হ'ল।



ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৬ চনৰ জানুৱাৰি সংখ্যাত প্ৰকাশিত হ'ব।



Mahantesh C. Morabad

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। প্ৰতিযোগিতা 'কোন মাহৰ বাবে' তাৰ উল্লেখ অৱশ্যেই থাকিব লাগিব। ১৯৯৫ চনৰ নভেমবাৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯৫ চনৰ অগাস্ট মাহৰ **ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :**

প্ৰথম ফটো : জীৱনৰ লগৰী

দ্বিতীয় ফটো : আশাৰ চকৰি

*অমৰতৰা ৰাজকুমাৰী/মৰি এৰাগাঁও/প্ৰাথমিক বিদ্যালয়/মৰিগাঁও ৭৮২১০৫ অসম।

[পুৰস্কাৰৰ ১০০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব।]

ভাৰতত বছৰেকীয়া বৰঙনি চান্দমামা ৮০.০০ টকা মাথোন

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

THE MOST ENDEARING GIFT YOU CAN THINK OF
FOR YOUR NEAR AND DEAR WHO IS FAR AWAY

CHANDAMAMA



Give him the magazine in the language of his choice—
Assamese, Bengali, English, Gujarati, Hindi, Kannada,
Malayalam, Marathi, Oriya, Sanskrit, Tamil or Telugu
—and let him enjoy the warmth of home away from home.

Subscription Rates (Yearly)

AUSTRALIA, JAPAN, MALAYSIA & SRI LANKA

By Sea mail Rs.**117.00** By Air mail Rs. **264.00**

FRANCE, SINGAPORE, U.K., U.S.A.,
WEST GERMANY & OTHER COUNTRIES

By Sea mail Rs. **123.00** By Air mail Rs. **264.00**

Send your remittance by Demand Draft or Money Order favouring
'Chandamama Publications' to:

CIRCULATION MANAGER **CHANDAMAMA PUBLICATIONS** CHANDAMAMA BUILDINGS
VADAPALANI MADRAS 600 026

সোৱাদলগা, মজালগা

কোকোনাকা কুকীজ্

আচল নাৰিকলেৰে প্ৰস্তুত

- কৃত্ৰিম সোৱাদেৰে নহয় !

Visesh/M/NCC/Asm/02

nutrine

নিউট্ৰিন

কোকোনাকা

কুকীজ্